**মাননীয় অধ্যক্ষ আৰু অসম বিধান সভাৰ সন্মানীয় সদস্যসকল,**

অসম বিধান সভাৰ ২০২২ বৰ্ষৰ বাজেট অধিবেশনৰ এই পবিত্ৰ সদনত ভাষণ দিবলৈ পাই মই আনন্দিত হৈছো। এই সুযোগতে মই আপোনালোকলৈ সম্ভাষণ জনাইছো আৰু শুভেচ্ছা জ্ঞাপন কৰিছো। মোৰ বিশ্বাস যে এই বাজেট অধিবেশনত হোৱা বিস্তৃত আলোচনাসমূহে ৰাজ্যখনত শান্তি, প্ৰগতি আৰু সমৃদ্ধিৰ যুগ সৃষ্টিৰ বাবে পথচিত্ৰ প্ৰস্তুত আৰু ৰাজ্যখনক শক্তিশালী আৰু সমৃদ্ধিশালী কৰি গঢ়ি তোলাত সহায় কৰিব।

**লাচিত বৰফুকনৰ ৪০০ সংখ্যক জন্মবৰ্ষ**

মাননীয় সদস্যসকল, আমি চলিত বৰ্ষটো ১৬৭১ খ্ৰীষ্টাব্দৰ বিখ্যাত শৰাইঘাটৰ যুদ্ধত মোগল বাহিনীক পৰাস্ত কৰা সুখ্যাত আহোম সেনাপতি লাচিত বৰফুকনৰ ৪০০ সংখ্যক জন্মবৰ্ষ হিচাবে উদযাপন কৰিছো। তেওঁৰ নাম অসীম ত্যাগ আৰু অতুলনীয় সাহসৰ সমাৰ্থক। আপোনালোক সকলোৱে জানে যে ভাৰতৰ মাননীয় ৰাষ্ট্ৰপতিয়ে চলিত বৰ্ষৰ ২৫ ফেব্ৰুৱাৰীত লাচিত বৰফুকনৰ ৪০০ সংখ্যক জন্মবৰ্ষ উদযাপনৰ বৰ্ষজোৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। মাননীয় ৰাষ্ট্ৰপতিয়ে আলাবৈ যুদ্ধ স্মাৰক আৰু লাচিত বৰফুকনৰ মৈদামৰ সৌন্দৰ্যবৰ্ধন আৰু মেৰামতি কাৰ্যৰো আধাৰশিলা স্থাপন কৰে।

অসমৰ সন্মান ৰক্ষাৰ্থে আলাবৈ ৰণক্ষেত্ৰত সৰ্বোচ্চ ত্যাগ কৰা ১০,০০০ বীৰ আহোম সেনাৰ অসমৰ ইতিহাসত থকা গুৰুত্ব যুগমীয়া কৰিবলৈ অসম চৰকাৰে কামৰূপ জিলাত এক যুদ্ধ স্মাৰক নিৰ্মাণৰ সিদ্ধান্ত লৈছে। অসমৰ ঐতিহ্যময় স্থাপত্য পৰম্পৰাৰ অনুকৰণত এই পাহাৰখনৰ ওপৰত এক মৈদামৰ আৰ্হিত এই যুদ্ধ স্মাৰক নিৰ্মাণ কৰা হ'ব। দৰ্শনাৰ্থীসকলে এক বৃহৎ ঘূৰণীয়া 'সোঁৰণৰ চোতালেৰে' এই ওখ বন আচ্ছাদিত স্মৃতিসৌধত প্ৰৱেশ কৰিব। ইয়াৰ মাজতে এক স্বচ্ছ সৰোবৰ থাকিব, য'ত পানীৰ পৰা ৩০ মিটাৰ উচ্চতাৰে নিৰ্মিত ঐতিহ্যমণ্ডিত আহোম হেংদাং এখনৰ প্ৰতিচ্ছবি প্ৰতিফলিত হ'ব।

যোৰহাটৰ নৰা হিলৈদাৰী গাঁৱত এইগৰাকী মহান দেশপ্রেমিকৰ মৈদামৰ স্থানত তেওঁৰ জীৱনস্মৃতিত এক স্মৃতি চৌহদ গঢ়ি তোলা হ'ব। আহোমসকলৰ এই মহান সেনাপতিজনাৰ সন্মানার্থে তেওঁৰ মৈদাম চৌহদত প্রস্তাৱিত এই স্মৃতি চৌহদ নির্মাণ বীৰগৰাকীৰ প্রতি উপযুক্ত শ্রদ্ধাঞ্জলিৰূপে স্থায়ী হৈ ৰ'ব। এই চৌহদত লাচিত বৰফুকনৰ ১৫০ ফুট উচ্চতাৰ ব্রঞ্জৰ বৃহৎ প্রতিমূর্তি প্রতিষ্ঠা কৰা হ'ব। এক ৬০ ফুট উচ্চতাৰ ভেঁটিৰ ওপৰত এই ভাস্কর্য স্থাপন কৰা হ'ব। আৰু ইয়াৰ প্রৱেশ পথত ভাস্কর্য উদ্যানেৰে সৈতে থকা জলধাৰত ইয়াৰ প্রতিচ্ছবি প্রতিফলিত হ'ব।

এই বর্ষজোৰা উদযাপনৰ অংশ হিচাবে আমি দেশৰ বিভিন্ন স্থানত বহু কার্যসূচী ৰূপায়নৰ পৰিকল্পনা কৰিছো।

**ক'ভিড-১৯ বিৰোধী যুদ্ধ**

২০২১-২২ বৰ্ষই আমালৈ কিছুমান পূর্বানুমান নথকা প্রত্যাহ্বান আৰু সুন্দৰ সুযোগ কঢ়িয়াই আনিছিল। ২০২১ চনৰ মে' মাহত নতুন চৰকাৰে দায়িত্ব লোৱাৰ সময়ছোৱা মানৱ ইতিহাসৰ আটাইতকৈ প্রত্যাহ্বানপূর্ণ সময় আছিল, কাৰণ তেতিয়া সমগ্র বিশ্বৰ লগতে অসমেও মাৰাত্মক ক'ভিড-১৯ ৰ দ্বিতীয় ঢৌৰ সৈতে যুঁজ দি আছিল। ৰাজ্যখনে অৱশ্যে আৰম্ভণিৰে পৰাই ক'ভিড-১৯ ৰ সৈতে ফলপ্রসূভাৱে মোকাবিলা কৰিছে আৰু এই ভাইৰাছৰ প্রতিৰোধ অব্যাহত ৰাখিছে। ভাৰত চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্রালয়ে বিভিন্ন সময়ত ক'ভিড-১৯ মোকাবিলাৰ বাবে ৰাজ্য চৰকাৰে গ্রহণ কৰা উদ্যোগৰ প্রশংসা কৰিছে। আনকি ২০২০ চনৰ ১২ ডিচেম্বৰত উদযাপন কৰা ইউনিভার্ছেল হে'লথ ক'ভাৰেজ (ইউ এইচ চি ) ডে' উপলক্ষে বিশ্ব স্বাস্থ্য সংস্থাই অসমৰ ক'ভিড ব্যৱস্থাপনাৰ ওপৰত ' ফ্রম গর্ভনেন্স টু কমিউনিটী ছার্ভেলেইন্সঃ আছামছ ৩৬০ ডিগ্রী ক'ভিড-১৯ ৰেচপন্স' শীর্ষক এক লিখনি প্রকাশ কৰিছে। অসমৰ তিনিটা টি (টেষ্ট, ট্রেচ্ আৰু ট্রীট) ত গুৰুত্ব প্রদান কৰা ফলপ্রসূ ক'ভিড ব্যৱস্থাপনা কৌশলৰ সৈতে চি এ বি (ক'ভিড এপ্র'প্রিয়েট বিহেভিয়াৰ) আৰু আগ্ৰাসী ক'ভিড ভেকচিন প্রদান অভিযানে ৰাজ্যখনত ক'ভিডৰ প্রসাৰ নিয়ন্ত্রণ কৰাৰ লগতে ক'ভিড পজিটিভ ৰোগীক শুশ্রষা কৰাতো সহায় কৰিলে। এইক্ষেত্রত ৰাইজৰ সমর্থনৰ কথা বিশেষভাৱে

উল্লেখ কৰিব লাগিব কাৰণ ৰাইজৰ সক্ৰিয় সহযোগে ক'ভিড প্ৰতিৰোধৰ বাবে যুঁজ দিয়া আগশাৰীৰ যুঁজাৰুসকলৰ শক্তি বৃদ্ধি কৰিলে। যি কি নহওক, ১ মাৰ্চ, ২০২২ লৈকে ৰাজ্যত মুঠ ৭,২৪,১৩৫ গৰাকী লোক ক'ভিড আক্ৰান্ত হৈছিল, যাৰ ভিতৰত ১৬৮ গৰাকী লোক ক'ভিড আক্ৰান্ত হৈ আছে আৰু আৰোগ্যৰ হাৰ হৈছে ৯৮.৮৭ শতাংশ আৰু মৃত্যুৰ হাৰ হৈছে ০.৯২ শতাংশ। আক্ৰান্তৰ প্ৰতি সপ্তাহৰ গড় ২০২২ বৰ্ষৰ ১৯-২৫ জানুৱাৰীৰ ৫৮৭৪ ৰ পৰা ২৩ ফেব্ৰুৱাৰী-১ মাৰ্চত ১৭ জনলৈ হ্ৰাস পাইছে। কামৰূপ (মহানগৰ) জিলাৰ ১০৭ গৰাকী ৰোগীক বাদ দি ৰাজ্যৰ আন সকলো জিলাত ২০ ফেব্ৰুৱাৰীৰ পৰা ১ মাৰ্চ , ২০২২ লৈ (১০ দিনত) একক সংখ্যাৰ ৰোগী আছিল। মই জনাবলৈ পাই সুখী যে ১০ মাৰ্চৰ দিনা অসমত এজনো লোক ক'ভিডত আক্ৰান্ত হোৱা নাছিল।

ৰাজ্যত প্ৰতিষেধকে সামৰি লোৱা সংখ্যাও উৎসাহজনক। ২০২২ ৰ ১ মাৰ্চলৈকে ৪,৩২,৭৭,৮০১ পালি প্ৰতিষেধক প্ৰদান কৰা হৈছে। আৰু ইয়াৰে প্ৰথম পালিৰ সংখ্যা হৈছে ২,৩৩,৮৭,৩৪৩ (১০১.১১ শতাংশ সামৰি ) আৰু দ্বিতীয় পালিৰ সংখ্যা হৈছে ১,৯৬,৩১,৭৯১ (৮৪.৮৭ শতাংশ সামৰি ) আৰু সুৰক্ষামূলক পালিৰ সংখ্যা হৈছে ২,৫৮,৬৬৭। ৰাজ্যই ৩১ মাৰ্চ, ২০২২ ৰ ভিতৰত দুপালি প্ৰতিষেধক প্ৰদানৰ অভিযান সামৰণি পেলোৱাৰ পৰিকল্পনা কৰিছে। ক'ভিড-১৯ ৰ বিৰুদ্ধে যুদ্ধ অব্যাহত ৰখাৰ লগতেৰাজ্যই সমূহীয়া পৰ্যায়ত আৰু চিকিৎসানুষ্ঠানসমূহত ক'ভিডৰ বাদেও আন প্ৰয়োজনীয় স্বাস্থ্য সেৱা অব্যাহত ৰখাৰ ওপৰতো বিশেষ গুৰুত্ব প্ৰদান কৰি আহিছে।

ইতিমধ্যে পি এম কেয়াৰছৰ অধীনত লাভ কৰা ১০০০ ভেণ্টিলেটৰৰ লগতে চিকিৎসা মহাবিদ্যালয় হস্পিতালসমূহত আই চি ইউ বিচনাৰ সংখ্যা ৪০০ ৰ পৰা ১৫৬৫ লৈ বৃদ্ধি কৰি ভৱিষ্যতৰ সম্ভাব্য ঢৌৰ বিৰুদ্ধে যুঁজ দিবলৈ আমাৰ প্ৰস্তুতি শক্তিশালী কৰি তোলা হৈছে। সেইদৰে জৰুৰীকালীন ক'ভিড সঁহাৰি পৰিকল্পনাৰ অধীনত ১৭ টা আৰ টি পি চি আৰ লেবৰেটৰী স্থাপন কৰা হৈছে আৰু চিকিৎসাৰ অক্সিজেন উৎপাদন ক্ষমতা মহামাৰীৰ পূৰ্বৰ প্ৰতিদিনৰ ৫০ মেট্ৰিকটনৰ পৰা ১৭৬.৬১ মেট্ৰিকটনলৈ বৃদ্ধি কৰা হৈছে। বৰ্তমান ৪০ টা পি এছ এ অক্সিজেন উৎপাদন প্ৰকল্প আবণ্টন দিয়া হৈছে , ইয়াৰে ৩৯ টা কাৰ্যক্ষম হৈ উঠিছে। এল এম অ' মজুত ৰখাৰ ক্ষমতা মহামাৰীৰ পূৰ্বৰ ২০০ মেট্ৰিক টনৰ পৰা বৰ্তমান ৬১৮.৫৫ মেট্ৰিক টনলৈ বৃদ্ধি কৰা হৈছে।

মোৰ চৰকাৰে অধিক মানৱীয়তাৰে সম্পূৰ্ণ লকডাউনৰ দিয়াৰ বিপৰীতে সীমিত বাধা-নিষেধ আৰোপেৰে মহামাৰীৰ সৈতে মোকাবিলা কৰাৰ সফল ব্যৱস্থা গ্ৰহণ কৰিলে। সেই অনুসৰি আমাৰ গ্ৰাম্য আৰু নগৰাঞ্চল দুয়োটা সামৰি মুঠ ১২,৫০০ টা মাইক্ৰ' কণ্টেইনমেণ্ট জ'ন আছিল। মোৰ চৰকাৰে এই মাইক্ৰ' কণ্টেইনমেণ্ট জ'নত বাস কৰা দুখীয়া আৰু পিছপৰা পৰিয়াললৈ ২০০০ টকাকৈ আগবঢ়াই তেওঁলোকৰ যতন লৈছিল। মোৰ চৰকাৰে ক'ভিডৰ ফলত মৃত্যুমুখত পৰা লোকসকলৰ নিকটাত্মীয়ৰ দুখ- কষ্ট হ্ৰাস কৰাৰ বাবে তৎপৰতাৰে বিভিন্ন ব্যৱস্থা হাতত লৈছে। মুখ্যমন্ত্ৰীৰ শিশু সেৱা আঁচনিৰ অধীনত চৰকাৰে ক'ভিডত পিতৃ-মাতৃক হেৰুওৱা শিশুসকলক এটাকৈ লেপটপ আৰু ৭.৮১ লাখ টকাৰ ফিক্সড ডিপ'জিটৰ লগতে মাহিলী ৩,৫০০ টকাকৈ আগবঢ়াইছে। এই ফিক্সড ডিপ'জিটৰ ধনৰাশি ২৪ বছৰত ভৰি দিয়াৰ লগে লগে শিশুটিক প্ৰদান কৰা হ'ব।

একেদৰে, মুখ্যমন্ত্ৰীৰ বিধৱা সাহাৰ্য আঁচনিৰ অধীনত চৰকাৰে ক'ভিডত স্বামীহাৰা হোৱা মহিলাসকলক ২.৫০ লাখ টকাৰ এককালীন সাহাৰ্য প্ৰদান কৰিছে। এতিয়ালৈকে ১,৭৩৫ গৰাকী হিতাধিকাৰীয়ে এই সাহাৰ্য লাভ কৰিছে। প্ৰাৰ্থনা আঁচনিৰ অধীনত ক'ভিডত মৃত্যুমুখত পৰা ৰোগীৰ নিকটাত্মীয়ক এক লাখ টকাকৈ প্ৰদান কৰা হৈছে। এইপৰ্যন্ত ৭২৫ গৰাকী হিতাধিকাৰীয়ে এই আঁচনিৰ সুবিধা লাভ কৰিছে আৰু ৬,৫০০ টাতকৈ অধিক পৰিয়াল এই আঁচনিৰ দ্বাৰা উপকৃত হ'ব।

**বহনক্ষম আৰু স্থায়ী শান্তিৰ পথ**

মাননীয় সদস্যসকল, মোৰ চৰকাৰে ৰাজ্যত এক শান্তিৰ যুগ সূচনা কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। এইক্ষেত্ৰত মোৰ চৰকাৰে উল্লেখনীয় সফলতা লাভ কৰিছে। বড়ো চুক্তিৰ সক্ৰিয় সম্পাদনৰ দ্বাৰা ৪২০৩ গৰাকী আত্মসমৰ্পণ কৰা সদস্যক ১৬৮.১২ কোটি টকাৰ আৰ্থিক সাহায্য প্ৰদানেৰে পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা হৈছে। একেদৰে প্ৰাক্তন এন ডি এফ বি কেডাৰৰ বিৰুদ্ধে থকা গোচৰ (অ-গুৰুতৰ) প্ৰত্যাহাৰৰ বাবে গঠন কৰি দিয়া ৰাজ্যিক পৰ্যায়ৰ কমিতিয়ে বিস্তৃত

পর্যালোচনা কৰি ৪২৭ গৰাকী প্ৰাক্তন এন ডি এফ বি কেডাৰৰ বিৰুদ্ধে থকা ২৭৪ টা গোচৰ প্ৰত্যাহাৰ কৰিছে। ইউ এল বি (ULB) নামেৰে এটা বড়ো সংগঠন ১৫.০৯.২১ত গঠন হৈছিল, কিন্তু আৰক্ষীৰ সক্ৰিয় ভূমিকাৰ বাবে ইয়াৰ সকলো সদস্যই ২৯.০৯.২১ত আত্মসমৰ্পণ কৰে। একেদৰে ডি এন এল এ (DNLA)ৰ অধ্যক্ষই উপ-মুখ্য সেনাধ্যক্ষ আৰু অন্যান্যসকলৰ সৈতে আত্মসমৰ্পণ কৰে আৰু ২০২১ চনৰ ২০ অক্টোবৰত ৰাজ্য চৰকাৰৰ সৈতে ছমাহৰ বাবে যুদ্ধবিৰতিৰ চুক্তি স্বাক্ষৰ কৰে। উপগ্ৰন্থী বিৰোধী শক্তিশালী অভিযানৰ ফলত নেশ্যনেল লিবাৰেচন ফ্ৰণ্ট অব বড়োলেণ্ড (এন এল এফ বি) ৰ নেতাসহ ১৬৪ গৰাকী কেডাৰে আত্মসমপৰ্ণ কৰে। ২০২১ চনৰ ২৮ ছেপ্টেম্বৰত এজন শীৰ্ষ মাওবাদী কেডাৰেও আত্মসমৰ্পণ কৰে। এই সকলোবিলাকে ৰাজ্যখনত জনজাতীয় উগ্ৰপন্থাৰ সম্পূৰ্ণৰূপে অন্ত পৰাৰ প্ৰমাণ দাঙি ধৰে। মানৱ সৰবৰাহ বিৰোধী অভিযানত লাভ কৰা এক বিশেষ সফলতা হিচাপে ইয়াৰ ২০০ গৰাকী আক্ৰান্তক উদ্ধাৰ কৰা হৈছে, ৭৮ জন গ্ৰেপ্তাৰ হৈছে আৰু ৬৭ টা গোচৰ পঞ্জীয়ন হৈছে।

**ড্ৰাগছৰ বিৰুদ্ধে অবিৰত যুদ্ধ**

২০২১ চনৰ মে’ মাহত আৰম্ভ হোৱা ড্ৰাগছ বিৰোধী সন্মুখ সমৰ শক্তিশালী ৰূপত অব্যাহত আছে। ২০২১ চনৰ মে’ৰ পৰা ২৩৬৩ টা গোচৰ পঞ্জীয়ন হৈছে আৰু ৪০৫২ জন লোক গ্ৰেপ্তাৰ হৈছে। ৭২.২ কিলোগ্ৰাম হেৰ’ইন, ১৯,২০৭ কিলোগ্ৰাম গাঞ্জা, ৪৯ কিলোগ্ৰাম অপিয়াম, প্ৰায় ১,৯০,০০০ বটল ক’ডেইনযুক্ত কফ চিৰাপ, প্ৰায় ৩১,০০,০০০ টা টেবলেট/কেপচুল আৰু ৩.৩৭৫ কিলোগ্ৰাম ক্ৰিষ্টেল মেথামফেটামাইনকে ধৰি আনুমানিক ৪২৭ কোটি টকা মূল্যৰ ড্ৰাগছ জব্দ কৰা হৈছে। জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ লগতে জব্দ কৰা ড্ৰাগছৰ চুৰি কাৰ্য ৰোধ কৰাৰ বাবে ১৭ আৰু ১৮ জুলাইত কাৰ্বি আংলং, গোলাঘাট, নগাঁও আৰু হোজাই জিলাত জব্দ কৰা ড্ৰাগছবোৰ ধ্বংস কৰা হৈছে।

অবৈধ ড্ৰাগছৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিবৰ বাবে আইন বলৱৎকাৰী সংস্থাসমূহৰ লোকসকলক উৎসাহিত কৰিবলৈ ১২ কোটি টকা মূল্যৰ ড্ৰাগছ জব্দ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা বৰচিং বে’ নামৰ গৃহৰক্ষী কৰ্মী এগৰাকীক অসম আৰক্ষীৰ কনিষ্টবলৰূপে নিযুক্তি প্ৰদান কৰা হৈছে।

## ফলপ্ৰসূ আৰক্ষী ব্যৱস্থাৰ কৌশল

মোৰ চৰকাৰে আৰক্ষীৰ কাৰ্যদক্ষতা বৃদ্ধিৰ কৌশলৰ অংশ হিচাপে বহু পদক্ষেপ গ্ৰহণ কৰিছে। আৰক্ষীৰ লোকৰ কল্যাণৰ বাবে তেওঁলোকে লাভ কৰা নিয়মীয়া ছুটীৰ উপৰি সীমান্ত চকীত থকা বেটেলিয়নৰ কৰ্মচাৰীক ৩০ দিনৰ আৰু বেটেলিয়নৰ সদৰ কাৰ্যালয়ত থকা কৰ্মচাৰীক ১০ দিনৰ বাৰ্ষিক বিশেষ ছুটী দিয়াৰ ব্যৱস্থা কৰা হৈছে । সেইদৰে আৰক্ষীৰ লোকৰ কামৰ বোজা হ্ৰাস কৰিবৰ বাবে আৰক্ষী থানাসমূহত দুটা ছিফট ডিউটীৰ ব্যৱস্থা কৰা হৈছে। ৰাজ্য চৰকাৰে কৰ্তব্যৰত অৱস্থাত নিহত হোৱা সেনা, কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী, আৰক্ষী, গৃহৰক্ষী বাহিনী আৰু গাঁওৰক্ষী বাহিনীৰ লোকৰ নিকটাত্মীয়লৈ ৫০ লাখ টকাৰ সাহাৰ্য দিয়াৰ কথা ঘোষণা কৰিছে, প্ৰতিকূল পৰিবেশত আন্তঃৰাজ্যিক সীমাত কৰ্তব্যৰত আৰক্ষীৰ লোকলৈ অতিৰিক্ত এমাহৰ দৰমহা বোনাচ হিচাবে দিয়াৰ ব্যৱস্থা কৰিছে আৰু কাছাৰত অসম- মিজোৰাম সীমাত নিহত হোৱা ছগৰাকী আৰক্ষীৰ লোকৰ নিকটাত্মীয়লৈ চৰকাৰী চাকৰি আগবঢ়োৱা হৈছে।

উন্নত মানৰ অনুসন্ধানৰ বাবে মোৰ চৰকাৰে চাৰিটা মাণ্ডলিক ফৰেনচিক লেবৰেটৰীত অনুমোদন জনাইছে আৰু ইয়াত উপযুক্ত সংখ্যক পদ সৃষ্টিৰ ব্যৱস্থা কৰিছে। অসম আৰক্ষী আৰু বিশেষকৈ সশস্ত্ৰ শাখাৰ দক্ষতা আৰু কাৰ্য সম্পাদন বৃদ্ধিৰ বাবে আৰক্ষীৰ দক্ষতা বৃদ্ধি, নিয়মানুৱৰ্তিতা, মানৱ সম্পদ, ৰচদ-পাতিৰ সুবিধা আদিৰ চলিত ব্যৱস্থা পৰ্যালোচনা কৰিবৰ কাৰণে আৰক্ষীৰ প্ৰশাসনীয় আয়োগ গঠন কৰা হৈছে। ১৬,৯০৬ টা খালী পদ পূৰণৰ প্ৰক্ৰিয়াও আৰম্ভ কৰিবলৈ দিয়া হৈছে।

উগ্ৰপন্থী বিৰোধী অভিযান শক্তিশালী কৰিবৰ বাবে ৰাজ্যখনৰ বিভিন্ন স্থানত পাঁচটা কমাণ্ডো বেটেলিয়ন স্থাপনৰ বাবে চৰকাৰে অনুমোদন জনাইছে। থানাৰ পৰ্যায়তে বিভিন্ন বিষয়ৰ নিষ্পত্তিৰ বাবে প্ৰথমবাৰৰ কাৰণে মুখ্যমন্ত্ৰীয়ে থানাসমূহৰ ভাৰপ্ৰাপ্ত বিষয়াৰ সৈতে ৰাজ্যিক পৰ্যায়ৰ আলোচনাচক্ৰত অংশগ্ৰহণ কৰে। সেইদৰে আৰক্ষী অধীক্ষকসকলৰ সৈতেও দুদিনীয়া আলোচনা অনুষ্ঠিত কৰা হয় আৰু ফলপ্ৰসূ আৰক্ষী ব্যৱস্থাৰ বাবে নিৰ্দেশনা জাৰি কৰা হয়। থানা পৰ্যায়ত চোৰাংচোৱা তথ্য ইত্যাদি সংগ্ৰহৰ বাবে উপযুক্ত পুঁজি যোগানৰ ব্যৱস্থা

কৰা হৈছে। ৰাজ্যিক পৰ্যায়ৰ আৰক্ষী দায়বদ্ধতা আয়োগ আৰু জিলা দায়বদ্ধতা প্ৰাধিকৰণৰ কাম-কাজ, কৰ্তব্য আৰু দায়িত্ব সংক্ৰান্তীয় অসম আৰক্ষী আইন,২০০৭ ৰ ব্যৱস্থাসমূহ সংশোধন কৰিবলৈ ২০২১ চনৰ ২৩ ডিচেম্বৰত বিধানসভাত অসম আৰক্ষী (সংশোধন) বিধেয়ক, ২০২১ গৃহীত কৰা হৈছে।

ৰাইজলৈ নাগৰিককেন্দ্ৰিক সেৱা আগবঢ়োৱাৰ প্ৰতিবেদন তলত দিয়া ধৰণৰঃ

**২০২১ চনৰ মে' ৰ পৰা নাগৰিককেন্দ্ৰিক সেৱাৰ প্ৰতিবেদন**

| | | |
|---|---|---|
| ১। | আক্ৰান্তৰ পৰিয়াললৈ মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন দিয়াৰ মুঠ সংখ্যা | ঃ ৩১০৭ |
| ২। | আক্ৰান্তৰ পৰিয়াললৈ আহতৰ প্ৰতিবেদন দিয়াৰ মুঠ সংখ্যা | ঃ ২৪১৩ |
| ৩। | পাৰপত্ৰ, চালক অনুজ্ঞাপত্ৰ , সেৱা, স্থায়ী বাসিন্দাৰ প্ৰমাণপত্ৰ আদিৰ বাবে নিৰ্ধাৰিত সময়ত পুলিচ ভেৰিফিকেশ্যন প্ৰতিবেদনৰ মুঠ সংখ্যা | ঃ ১৭৯৭৯০ |
| ৪। | বস্তু/ তথ্য-পাতিৰ হেৰুওৱা সন্দৰ্ভত দিয়া আৰক্ষীৰ প্ৰতিবেদনৰ মুঠ সংখ্যা | ঃ ২৬৮১৩ |
| ৫। | উদ্ধাৰ হোৱা নিৰুদিষ্ট লোকৰ মুঠ সংখ্যা | ঃ ৩৭৭৪ |
| ৬। | নাগৰিকলৈ আগবঢ়োৱা আন সেৱাৰ সংখ্যা | ঃ ৩৫০৯ |

মাননীয় সদস্যসকল, মই এতিয়া মোৰ চৰকাৰে গ্ৰহণ দুটা গুৰুত্বপূৰ্ণ আঁচনিৰ ওপৰত আলোকপাত কৰিব বিচাৰিছো।

**মিছন বসুন্ধৰা**

ভূমি সংক্ৰান্তীয় সেৱাসমূহৰ পৰিৱৰ্তন আৰু স্বয়ংক্ৰিয়কৰণৰ বাবে মোৰ চৰকাৰে ২০২১ চনৰ ২ অক্টোবৰত মিছন বসুন্ধৰা আৰম্ভ কৰিছে। এই আঁচনিয়ে নগৰাঞ্চল আৰু গ্ৰামাঞ্চলৰ জনসাধাৰণৰ ব্যাপক সঁহাৰি লাভ কৰিছে আৰু ই এক সৰ্বাত্মক, শক্তিশালী আৰু বহনক্ষম উন্নয়নৰ আধাৰ ভূমিৰ তথ্য সংক্ৰান্তীয় ব্যৱস্থাটোৰ প্ৰয়োজনীয় শৃংখলাবদ্ধতা সুনিশ্চিত কৰিছে। এই আঁচনিৰ ৰূপায়নৰ যাত্ৰাত এক অনলাইন প্লেটফৰ্মৰ জৰিয়তে

অসমৰ ৮২ শতাংশ গাঁও সামৰি ৯ বিধ সেৱা বিষয়ক ৮.১৩ লাখতকৈও অধিক আবেদন প্ৰাপ্ত হৈছে আৰু ইয়াৰে ৪.৮১ লাখ ইতিমধ্যে নিষ্পত্তি কৰা হৈছে। ইয়াৰে ৩.৮৭ লাখে যোগাত্মক সেৱা লাভ কৰিছে আৰু প্ৰায় ০.৯৪ লাখ নাকচ হৈছে। ১০ মে', ২০২২ত মোৰ চৰকাৰৰ প্ৰথম বৰ্ষপূৰ্তিৰ আগতেই বাকী থকা আবেদনসমূহৰ নিষ্পত্তিৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। মিছন ম'ডত ভূমি সংক্ৰান্তীয় তথ্যৰ শুদ্ধকৰণৰ লগতে অ-জৰীপকৃত গাঁওসমূহৰ পলিগন জৰীপ আৰু জৰীপকৃত গাঁৱৰ পুনৰ জৰীপৰ কাম উল্লেখনীয় গতিত আগবাঢ়িছে। ৬৭৪ খন অ-জৰীপকৃত গাঁৱৰ পলিগণ জৰীপ সম্পূৰ্ণ হৈছে। এই গাঁওসমূহৰ বিস্তৃত জৰীপে কেৱল ভূমি তথ্য আৰু মানচিত্ৰ ডিজিটাইজ কৰাৰে পথ মুকলি নকৰে, এই অঞ্চলসমূহত বাস কৰা থলুৱা লোককো সম্পত্তিৰ অধিকাৰ প্ৰদানৰ পথ মুকলি কৰিব। ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাত এক পাইলট পুনৰ জৰীপ পদ্ধতিগতভাৱে আগবাঢ়িছে আৰু ইয়াত ড্ৰ'ন আৰু আকাশ প্ৰযুক্তি ব্যৱহাৰৰ লগতে স্থানীয় ৰাইজৰ দ্বাৰা তথ্যৰ সত্যতা নিৰূপণৰ ক্ষেত্ৰত উল্লেখযোগ্য সফলতা লাভ কৰা হৈছে। ইয়াৰ পৰা লাভ কৰা অভিজ্ঞতাৰ ভিত্তিত মিছন ম'ডত সকলো জৰীপকৃত গাঁৱৰ পুনৰ জৰীপ কৰা হ'ব, য'ৰ পৰা নতুন মানচিত্ৰৰ লগতে সম্পূৰ্ণ শুদ্ধ সংহত ভূমি তথ্য লাভ কৰা হ'ব। এই সমূহে প্ৰতি খণ্ড ভূমিৰ নিৰ্দিষ্ট চিনাক্ত নম্বৰৰ লগতে ডিজিটাইজড মানচিত্ৰ, ভূমি হস্তান্তৰৰ আগৰ আৰু পিছৰ ৰেখাচিত্ৰ আৰু খণ্ড বিভাজন ভিত্তিক ৰেখাচিত্ৰ আদি ভূ-স্থানিক সেৱা উপলব্ধ কৰাৰ পথ মুকলি কৰিব।

এই জন আন্দোলনক আগবঢ়াই নিবৰ বাবে মোৰ চৰকাৰে দ্বিতীয় পৰ্যায়ৰ মিছন বসুন্ধৰা আৰম্ভ কৰাৰ কথা বিবেচনা কৰিছে, যাতে পৰৱৰ্তী প্ৰজন্মৰ ভূমি সংক্ৰান্তীয় সেৱাসমূহৰ বাবে এক ভৱিষ্যদৰ্শী আইনী কাঠামোৰ জৰিয়তে নিশ্চিত মালিকীস্বত্বৰ পথচিত্ৰ প্ৰস্তুত কৰিব পৰা যায়। এই প্ৰচেষ্টাই অসমৰ ৰাইজে ভোগ কৰি অহা একছনীয়া পট্টা ভূমি (এ পি), তৌজী খাজনা ভূমি আদি সমস্যা সমাধানৰ লগতে বিধিসন্মত ভূমি চিলিঙ নিয়মৰ ভিতৰত কেইবাপ্ৰজন্ম জুৰি দখল কৰি থকা ভূমিত জনজাতিসকলৰ অধিকাৰক স্বীকৃতি প্ৰদান কৰিব।

### সম্ভাৱনা প্ৰকল্প

মোৰ চৰকাৰে নাগৰিককেন্দ্ৰিক শাসন ব্যৱস্থা প্ৰণয়নৰ অৰ্থে প্ৰকল্প সম্ভাৱনা শীৰ্ষক মাইলৰ খুঁটিস্বৰূপ এখন আঁচনি আৰম্ভ কৰিছে। সম্ভাৱনা প্ৰকল্পই নাগৰিকসকলক সচিবালয়ত নিষ্পত্তি নোহোৱাকৈ থকা ফাইলসমূহৰ নিষ্পত্তি কৰাৰ বাবে সম্ভাৱনা প'ৰ্টেলৰ জৰিয়তে অনলাইনত আবেদন কৰাৰ সুবিধা আগবঢ়াইছে। আদৰ্শ আচৰণবিধিৰ বাবে প্ৰচাৰত বাধা থকা সত্ত্বেও প্ৰায় ১২০০ এনে আৱেদন নাগৰিকৰ পৰা লাভ কৰা হৈছে আৰু মই আনন্দেৰে ক'ব বিচাৰো যে ৫২ শতাংশ এনে আৱেদন ইতিমধ্যে নিষ্পত্তি কৰা হৈছে। প'ৰ্টেলৰ জৰিয়তে এনে আবেদন দাখিলৰ অন্তিম সময়সীমা অহা ৩১ মাৰ্চ ধাৰ্য কৰা হৈছে। অৱশ্যে ফাইলৰ নম্বৰ বাধ্যতামূলক নহয় যদিও ফাইলটো সম্পৰ্কীয় যিকোনো তথ্য গ্ৰহণযোগ্য হ'ব। আমি নিশ্চিত যে জনসাধাৰণৰ পৰা আৰু অধিক এনে ধৰণৰ প্ৰস্তাৱ লাভ কৰিম।

এইসমূহৰ লগতে সচিবালয়ত সম্ভাৱনা স্বচ্ছতা অভিযানৰ জৰিয়তে এক পৰিষ্কাৰ, দক্ষ, স্বচ্ছ আৰু কাগজবিহীন কাৰ্যালয়ৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। শ্ৰেণীকৰণ আৰু অপ্ৰয়োজনীয় ব্যৱস্থা দূৰীকৰণৰ জৰিয়তে বিভাগসমূহে ১০-৫-২০২১ৰ পূৰ্বৰ সকলো ফাইলৰ নিষ্পত্তিকৰণ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। নিষ্পত্তি কৰিবলগীয়া প্ৰায় ডেৰ লাখ ফাইল ইলেক্ট্ৰনিক ফাইল মেনেজমেণ্ট ছিষ্টেমত অন্তৰ্ভুক্ত কৰা হৈছে আৰু ইয়াৰ জৰিয়তে অহা ২০২৩ বৰ্ষৰ ১০ মে'ৰ পূৰ্বেই ইলেক্ট্ৰনিক ম'ডত কাৰ্যক্ষম এক সম্পূৰ্ণ কাগজবিহীন আৰু ডিজিটাইজড সচিবালয়ৰ পথ মুকলি কৰা হৈছে।

### কাৰ্য সম্পাদনৰ বোজা হ্ৰাস

কাৰ্য সম্পাদনৰ বোজা হ্ৰাস আৰু আমাৰ নাগৰিক সকলক এক আঁসোৱাহমুক্ত সেৱা আগবঢ়োৱাটো মোৰ চৰকাৰৰ এক প্ৰধান কাৰ্যসূচী। এইক্ষেত্ৰত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছে। গুৱাহাটীত অনলাইন পৌৰসেৱা ২০২১ চনৰ ১০ ডিচেম্বৰত মুকলি কৰা হৈছে। এই ব্যৱস্থাই নাগৰিকসকলৰ বাবে ব্যৱসায়িক অনুজ্ঞাপত্ৰ, গৃহ নিৰ্মাণৰ অনুমতি, সম্পত্তি কৰ পৰিশোধ আদি সেৱা লাভ সহজ কৰি তোলাৰ লগতে প্ৰকল্প পৰিচালনা আৰু নিৰীক্ষণ ব্যৱস্থা শক্তিশালী

কৰিব। ঘৰৰ মালিক আৰু ভাৰাতীয়াৰ মাজত সৃষ্টি হোৱা সংঘাত ক্ষিপ্ৰতাৰে নিৰাময় আৰু ভাৰাতীয়া আৰু ঘৰৰ মালিক উভয় পক্ষৰে স্বাৰ্থ সমতুল কৰি ৰখাৰ বাবে অসম বিধানসভাত 'অসম ভাৰাতীয়া বিধেয়ক, ২০২১' গৃহীতকৰণৰ জৰিয়তে আদৰ্শ ভাৰাতীয় আইন (মডেল টেনেন্সি এক্ট) গ্ৰহণ কৰা অসমেই দেশৰ প্ৰথমখন ৰাজ্য হিচাপে বিবেচিত হৈছে। একেদৰে ফ্লেট/এপাৰ্টমেণ্টৰ হস্তান্তৰকৰণৰ পঞ্জীয়ন অতি সহজ আৰু খৰতকীয়া কৰাৰ বাবে পঞ্জীয়ন (অসম সংশোধিত) বিধেয়ক, ২০২১ অসম বিধানসভাত গৃহীত কৰা হৈছে আৰু বৰ্তমান পঞ্জীয়নৰ বাবে কোনো নাগৰিক জিলা উপায়ুক্তৰ কাৰ্যালয়লৈ যোৱাৰ প্ৰয়োজন নাই।

নিম্ন আয়ৰ অসংগঠিত খণ্ডৰ কল্যাণৰ বাবে 'গুৱাহাটী পৌৰ নিগম (ৰিক্সা আৰু ৰিক্সাচালকৰ পঞ্জীয়ন) উপ-নিয়ম, ১৯৭৬'বাতিলকৰণত অনুমোদন জনোৱা হৈছে আৰু মন্থৰ গতিৰ বাহন চালকসকলক সকাহ দিয়াৰ উদ্দেশ্যে এনে বাহনৰ মাচুল ৰেহাই দিয়া হৈছে। কোনো অতিৰিক্ত বিত্তীয় বোজা নোহোৱাকৈ ১০ হেজাৰ টকাৰ ঋণ লাভত সহায়ক হোৱাকৈ আৰু ঋণ মুকলি প্ৰক্ৰিয়া খৰতকীয়া কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে পি এম স্বনিধিৰ অধীনত ক'ভিড-১৯ আৰু লকডাউনত ক্ষতিগ্ৰস্ত পদপথ ব্যৱসায়ীসকলক অনুমোদিত ঋণৰ ওপৰত ষ্টাম্প শুল্ক ৰেহাইৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ব্যৱসায়ৰ সূচলকৰণ প্ৰক্ৰিয়া (EODB)ৰ উদ্দেশ্যে মোৰ চৰকাৰে গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ পৰা যিকোনো ব্যৱসায়িক প্ৰতিষ্ঠান খোলাৰ অনুজ্ঞাপত্ৰ লোৱাৰ ব্যৱস্থা সম্পূৰ্ণৰূপে প্ৰত্যাহাৰ কৰিছে। অৱশ্যে দেশীয় আৰু বিদেশী সুৰাৰ দোকান, হস্পিতাল আৰু নাৰ্চিংহোম, ইটাভাটা, মোবাইল টাৱাৰ আৰু প্ৰদূষণ সৃষ্টিকাৰী উদ্যোগৰ ক্ষেত্ৰত এই নিয়ম প্ৰযোজ্য নহ'ব।

অসমত ব্যৱসায়ৰ সূচলকৰণ প্ৰক্ৰিয়া (EODB) অধিক শক্তিশালী কৰাৰ বাবে মোৰ চৰকাৰে এক নিয়ামক কৰ্তৃপক্ষ আৰু আপীল কৰ্তৃপক্ষ গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে, য'ত সমস্যাৰ সন্মুখীন হোৱা লোকসকলৰ আবেদনৰ ওপৰত নিজাববীয়াকৈ আবেদন গ্ৰহণ কৰি আৰক্ষী দায়বদ্ধতা আয়োগ অথবা তথ্য জনাৰ অধিকাৰ আয়োগৰ আৰ্হিত জৰিমনা বিহা/বিভাগীয় কাৰ্য ব্যৱস্থা আৰম্ভ কৰা আদি পৰৱৰ্তী ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। তদুপৰি বিভাগসমূহক ১০০ টা

সংস্কাৰমূলক পইণ্টৰ প্ৰত্যেকটোৰ বিপৰীতে একোটাকৈ শ্লট দিয়া হ'ব, যাতে ২০২২ ৰ এপ্ৰিলৰ পৰা ২ (দুই) মাহৰ ভিতৰত এনে সংস্কাৰমূলক কাম আৰম্ভ কৰিব পৰা যায়।

সুশাসন ব্যৱস্থা শক্তিশালী কৰাৰ উদ্দেশ্যে পৰিবহণ বিভাগে কেইবাটাও কায়িক যোগাযোগহীন অনলাইন সেৱাৰ ব্যৱস্থা ৰাজ্যবাসীৰ বাবে প্ৰৱৰ্তন কৰিছে। এই পৰ্যন্ত ১৩ বিধ সেৱা প্ৰৱৰ্তন কৰা হৈছে, যি সমূহৰ ভিতৰত শিকাৰু অনুজ্ঞাপত্ৰ, ডুপ্লিকেট অনুজ্ঞাপত্ৰ, চালক অনুজ্ঞাপত্ৰৰ নবীকৰণ, বাহনৰ মালিকীস্বত্তৰ হস্তান্তৰ, পঞ্জীয়ন কাৰ্ড (RC)ত ঠিকনা সলনি, আন্তৰ্জাতিক বাহন চলাচলৰ অনুমতি ইত্যাদি আছে। এতিয়া এনে কাৰ্যৰ বাবে ৰাইজে জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়লৈ যোৱাৰ কোনো প্ৰয়োজন নাই আৰু এনে ধৰণৰ সেৱা লাভৰ বাবে তেওঁলোকে অনলাইন আৱেদন দাখিল কৰিব পাৰিব। আধাৰ নিশ্চিতকৰণ আৰু ডিজিটেল মাধ্যমেৰে নিৰ্ধাৰিত মাচুল পৰিশোধ কৰাৰ পাছত এই সেৱা উপলব্ধ কৰা হয়। এইক্ষেত্ৰত জনসাধাৰণৰ পৰা ব্যাপক সঁহাৰি লাভ কৰা হৈছে আৰু এই অনলাইন, কায়িক যোগাযোগহীন, মুখামুখি নোহোৱা, প্ৰক্ৰিয়া আধাৰিত সেৱা প্ৰদান ব্যৱস্থাৰ জৰিয়তে এতিয়ালৈকে পাঁচ লক্ষাধিক শিকাৰু অনুজ্ঞাপত্ৰ প্ৰদান কৰা হৈছে। এই সমূহ নতুন সেৱা আৰম্ভ কৰাৰ পৰিপ্ৰেক্ষিতত জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়লৈ ১০ লক্ষাধিক লোকৰ আগমন হ্ৰাস হ'ব বুলি আশা কৰা হৈছে।

সেইদৰে ৰাজ্যখনত উদ্যোগ আৰু বাণিজ্যৰ এক উৎসাহজনক বাতাবৰণ সৃষ্টি কৰাৰ উদ্দেশ্যে উদ্যোগ আৰু বাণিজ্য বিভাগে ভালেমান সংস্কাৰমূলক ব্যৱস্থা প্ৰৱৰ্তন কৰিছে। 'অসম ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ (স্থাপনত সহায়ক আৰু কাৰ্যক্ষমকৰণ) আইন ২০২০' সংশোধন কৰা হৈছে। এতিয়া উদ্যোগিক পামত উদ্যোগ স্থাপনৰ বাবে ইচ্ছুক উদ্যোগীসকলে সকলো প্ৰয়োজনীয় অনুমোদন আৰু অনুমতিৰ বাবে পামতে থকা কৰ্তৃত্বশীল বিষয়াৰ জৰিয়তে আৱেদন কৰিব পাৰে। উক্ত বিষয়াগৰাকীয়ে চৰকাৰৰ সংশ্লিষ্ট কৰ্তৃপক্ষৰ পৰা সকলো ধৰণৰ অনুমোদন আদায় কৰিব আৰু উদ্যোগীসকলক সেয়া ৩০ দিনৰ ভিতৰত প্ৰদান কৰিব। এনে নহ'লে অনুমোদন প্ৰাপ্ত হৈছে বুলি ধৰি লোৱা হ'ব।

অসম দক্ষতা নিয়োগ আৰু উদ্যমিতা বিভাগে ডিজিটেল মঞ্চৰ জৰিয়তে নিয়োগ বিনিময় কেন্দ্ৰত অনলাইন পঞ্জীয়নৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিছে। এতিয়া জনসাধাৰণে নিয়োগ বিনিময় কেন্দ্ৰলৈ গৈ সকলো তথ্য-পাতিসহ শাৰী পাতি এক দীঘলীয়া সময় অতিবাহিত কৰা আৰু অসুবিধাৰ সন্মুখীন হোৱাৰ কোনো প্ৰয়োজন নাই। অনলাইন, কায়িক যোগাযোগহীন, মুখামুখি নোহোৱা আৰু প্ৰক্ৰিয়া আধাৰিত সেৱা প্ৰৱৰ্তনৰ পাছত এতিয়া জনসাধাৰণে অনলাইন আবেদন দাখিল কৰিব পাৰে, প্ৰয়োজনীয় তথ্য-পাতি আপলোড কৰিব পাৰে আৰু কোনো অসুবিধা নোহোৱাকৈ আধাৰভিত্তিক চিনাক্তকৰণৰ জৰিয়তে নিয়োগ বিনিময়ত পঞ্জীয়ন কৰিব পাৰে। এনে সেৱাই জনসাধাৰণৰ পৰা ব্যাপক সঁহাৰি লাভ কৰিছে। এই পৰ্যন্ত তিনি লক্ষাধিক লোকে এনে সেৱা লাভ কৰিছে আৰু ডিজিটেল ব্যৱস্থাৰ মাধ্যমেৰে নিয়োগ বিনিময় কেন্দ্ৰত পঞ্জীয়ন কৰিছে।

ব্যৱসায়ৰ সূচলতা আৰু জীৱন নিৰ্বাহ সূচলকৰনৰ ক্ষেত্ৰত উদগণি যোগোৱাৰ উদ্দেশ্যে উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগে বিভিন্ন আইন/নিয়ম আৰু নীতি-নিৰ্দেশনাৰ সৈতে সংলগ্ন কাৰ্যসম্পাদনৰ বোজা হ্ৰাস কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। কাৰ্যসম্পাদনৰ বোজা হ্ৰাস কৰাৰ উদ্দেশ্যে বিভাগটোৱে অসমৰ বিভিন্ন বিভাগৰ সৈতে সম্পৰ্ক ৰক্ষা কৰি চলিছে। ইতিমধ্যে ৫৯৮বিধ সেৱা এনেদৰে আগবঢ়োৱাৰ ব্যৱস্থা কৰা হৈছে আৰু কাৰ্যসম্পাদনৰ বোজা হ্ৰাস কৰা হৈছে। বিভিন্ন বিভাগৰ দ্বাৰা বাতিলকৰণৰ বাবে ৫৯খন 'মুক্ত আইন' (bare act) চিনাক্তকৰণ কৰা হৈছে। এনে কাৰ্যই অসমৰ জনসাধাৰণক বিভিন্ন সেৱা প্ৰদানৰ ক্ষেত্ৰত এক আসোঁৱাহহীন পৰিৱেশ সৃষ্টিত সহায় কৰিব।

কাৰ্যসম্পাদনৰ বোজা হ্ৰাস কৰাৰ পৰৱৰ্তী পদক্ষেপ হ'ল এপ আৰু বিভিন্ন প'ৰ্টেলৰ জৰিয়তে জন্ম আৰু মৃত্যুৰ অনলাইন প্ৰমাণপত্ৰ, পাৰপত্ৰৰ 'পুলিচ ভেৰিফিকেচন' প্ৰদান।

## সামাজিক সুৰক্ষা ব্যৱস্থাৰ সৰলীকৰণ

সামাজিক সুৰক্ষা ব্যৱস্থা শক্তিশালী কৰাৰ উদ্দেশ্যে আন্তঃজিলা যাত্ৰীবাহী বাছৰ চালক, পৰিচালক আৰু হেণ্ডিমেনসকলৰ প্ৰত্যেককে ক'ভিড সাহায্য হিচাপে এককালীনভাৱে ১০,০০০ টকাকৈ প্ৰদান কৰাৰ বাবে এক প্ৰত্যক্ষ লাভ হস্তান্তৰ

আঁচনি আৰম্ভ কৰা হৈছে। দীনদয়াল দিব্যাংগজন পেঞ্চন আঁচনি, শ্বহীদ কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেঞ্চন আঁচনি, ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেঞ্চন আঁচনি আৰু অৰুণোদয় আঁচনিৰ অধীনত হিতাধিকাৰীক প্ৰতিমাহৰ ১০ তাৰিখে কোনোধৰণৰ পলম নোহোৱাকৈ ধনৰাশি প্ৰদান কৰা হৈছে। দৰিদ্ৰতা দূৰ কৰাৰ দিশত এক প্ৰধান পদক্ষেপৰূপে অৰুণোদয় আঁচনিৰ অধীনত প্ৰতিটো পৰিয়াললৈ মাহে প্ৰদান কৰা সাহায্য ৰাশি ৮৩০ টকাৰ পৰা ১০০০ টকালৈ বৃদ্ধি কৰা হৈছে। ইয়াৰ বাবদ প্ৰতিমাহে ১৯.৩২ লাখ হিতাধিকাৰীৰ বাবে ১০০৫.০১ কোটি টকা মুকলি কৰি দিয়া হৈছে। প্ৰত্যক্ষ লাভ হস্তান্তৰ ব্যৱস্থাৰে হিতাধিকাৰীলৈ সময়মতে আৰু বিশ্বাসযোগ্যভাৱে চৰকাৰী সাহাৰ্য প্ৰদান কৰাৰ ক্ষেত্ৰত অসম হৈছে দেশৰ কম সংখ্যক ৰাজ্যৰ ভিতৰতে অন্যতম।

পৰিপূৰক পুষ্টি কাৰ্যসূচীৰ মান আৰু পৰিমাণ বৰ্তাই ৰাখিবৰ বাবে ভাৰতীয় খাদ্য নিগমৰ পৰা ধান ক্ৰয় কৰা হৈছে, যাতে সঠিক সময়ত পৰ্যাপ্ত পৰিমাণৰ খাদ্য যোগানৰ দ্বাৰা এই কাৰ্যসূচীৰ সফল ৰূপায়ণ কৰিব পাৰি। ভাৰতীয় খাদ্য নিগমৰ পৰা ধান ক্ৰয়ে পৰিপূৰক পুষ্টি কাৰ্যসূচীৰ ক্ষেত্ৰত স্বচ্ছতা আৰু সমতা বজাই ৰাখিব। এই আঁচনি সফল ৰূপায়ণৰ বাবে সমাজ কল্যাণ বিভাগক বিত্তীয় ক্ষমতা প্ৰদান কৰা হৈছে।

ভূমিহীন লোকসকলৰ সমস্যাসমূহ লাঘৱ কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে যোগ্য লোকসকলক বৰ্তমান প্ৰচলিত একচনীয়া পট্টাৰ পৰিৱৰ্তে ম্যাদী পট্টা প্ৰদানৰ জৰিয়তে ভূমি আবণ্টন দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। চৰকাৰে খিলঞ্জীয়া ভূমিহীন কৃষক/পৰিয়াললৈ প্ৰতি বিঘাত ৫০০ টকা হাৰত প্ৰিমিয়ামত আদায় সাপেক্ষে ভূমি বন্দোৱস্তিৰ বাবে ভূমি নীতি, ২০১৯ ৰ সংশোধন সাধন কৰিছে।

মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত গ্ৰামাঞ্চলৰ দ্ৰুত উন্নয়নৰ বাবে খাদ্যশস্য জমা ৰখাৰ বাবে গুদামঘৰ স্থাপন, ড্ৰায়াৰ ইউনিট স্থাপন, মৎস্য পালনৰ বাবে পুখুৰী নিৰ্মাণ আদি বিভিন্ন আঁচনিৰ বাবে অনুদান হিচাপে ৰাজ্য চৰকাৰে ৪০০ কোটি টকা অনুমোদন জনাইছে।

ৰাজ্য চৰকাৰে এককালীন সেৱান্ত সাহায্য হিচাপে ৬০ বছৰ বয়সত অৱসৰৰ সময়ত অংগনবাড়ী কেন্দ্ৰৰ অংগনবাড়ী কৰ্মীসকলক ৪ লাখ টকা, মিনি

অংগনবাড়ী কেন্দ্ৰৰ কৰ্মীসকলক ৩ লাখ টকা আৰু অংগনবাড়ী সহায়কাৰীসকলক ২ লাখ টকাকৈ প্ৰদান কৰাৰ বাবে অনুমোদন জনাইছে।

তাৰোপৰি, তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ ক্ষেত্ৰত প্ৰাক্তন সৈনিকৰ বাবে সংৰক্ষিত ২ শতাংশ পদৰ ভিতৰত বিশেষভাৱে সক্ষম (চাকৰিকালত সৃষ্টি হোৱা অক্ষমতা) প্ৰাক্তন সৈনিকৰ বাবে আৰু কৰ্তব্যৰত অৱস্থাত নিহত হোৱা প্ৰাক্তন সৈনিকৰ পৰিয়ালৰ বাবে ২৫ শতাংশ সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে আৰু বাকী থকা ৭৫ শতাংশ পদ অন্য প্ৰাক্তন সৈনিকৰ বাবে সংৰক্ষিত কৰা হ'ব।

**প্ৰশাসনৰ সুচলকৰণ**

সুশাসন বৰ্তাই ৰখাৰ বাবে আমি ব্যৱস্থাগত বাধাসমূহ দূৰ কৰা আৰু প্ৰশাসনিক সংস্কাৰৰ ব্যৱস্থা কৰি আছো। দ্ৰুত পৰামৰ্শমূলক সিদ্ধান্ত গ্ৰহণ খৰতকীয়া কৰাৰ বাবে সাপ্তাহিক কেবিনেট বৈঠক অনুষ্ঠিত কৰা হৈছে। প্ৰতি জিলাৰ বাবে অভিভাৱক মন্ত্ৰী আৰু অভিভাৱক সচিব নিযুক্তি দিয়া হৈছে, যাতে তেওঁলোকে নিৰ্দ্ধাৰিত জিলাসমূহ ভ্ৰমণ কৰি জিলা প্ৰশাসনক প্ৰত্যক্ষভাৱে উন্নয়নমূলক কাম-কাজত সহায় কৰিব পাৰে।

প্ৰধান আন্তঃগাঁথনি আৰু সামাজিক খণ্ডৰ প্ৰকল্পসমূহত থকা ব্যৱস্থাগত বাধাসমূহ দূৰ কৰি দ্ৰুত কাৰ্য ৰূপায়ণৰ অৰ্থে বিত্তীয় ক্ষমতা অৰ্পন প্ৰণালীৰ সংস্কাৰ সাধন কৰা হৈছে। এখন নতুন জিলা তামুলপুৰ গঠন কৰা হৈছে। ৰাজহুৱা সেৱা দ্ৰুত আৰু অধিক কাৰ্যক্ষম কৰাৰ অৰ্থে মোৰ চৰকাৰে একেধৰণৰ কাম-কাজ চলা ১২ টা বিভাগ একত্ৰিত কৰি ৬ টা বিভাগ কৰিছে আৰু দুটা নতুন বিভাগ সৃষ্টি কৰিছে।

উল্লেখযোগ্য যে, বড়োলেণ্ড কল্যাণ বিভাগো গঠন কৰা হৈছে। এই বিভাগটোৱে বি টি আৰত বসবাস কৰা লোকসকলৰ কল্যাণ আৰু সৰ্বপ্ৰকাৰৰ উন্নয়নৰ বাবে নীতি-নিৰ্দ্ধাৰণ আৰু কাৰ্য ৰূপায়ণৰ ক্ষেত্ৰত সমন্বয়ৰক্ষী বিভাগ হিচাপে কাম কৰিব।

গ্ৰামাঞ্চলত ৰাজ্য চৰকাৰ অথবা কেন্দ্ৰীয় চৰকাৰৰ আন্তঃগাঁথনিমূলক প্ৰকল্প খৰতকীয়া কৰিবলৈ চৰকাৰৰ অনুমতি নোলোৱাকৈ ৰাজ্য চৰকাৰৰ বিভাগ,

কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰালয়ক মাটি আৱণ্টনৰ বাবে জিলা উপায়ুক্তসমূহক ক্ষমতা প্ৰদান কৰা হৈছে।

মই আপোনালোকক জনাবলৈ পাই সুখী যে, ৰাজ্যখনৰ গাওঁসমূহৰ জৰীপ আৰু উন্নত প্ৰযুক্তিৰ দ্বাৰা গ্ৰামাঞ্চলৰ মেপিং (SVAMITVA) কৰাৰ বাবে চাৰ্ভে অফ ইণ্ডিয়া, ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ মাজত বুজা-বুজিৰ চুক্তি স্বাক্ষৰিত হৈছে। ইতিমধ্যে চাৰ্ভে অফ ইণ্ডিয়াই কণ্টিনিউৱাচ অপাৰেচন ৰেফাৰেন্স চিষ্টেম (CORS) ৰ বাবে প্ৰাৰম্ভিক কাম-কাজ আৰম্ভ কৰিছে। কৰ প্ৰদান ব্যৱস্থাটো সৰল আৰু আহুকালমুক্ত কৰাৰ লগতে কায়িক মুখামুখিৰ অৱকাশ নোহোৱা কৰিবলৈ জি এছ টি মুক্ত কৰ- যেনে কৃষি আয় কৰ, বৃত্তিমূলক কৰ, বিশেষ ভূমিৰ বাবে কৰ, বিদ্যুৎ সেৱা ইত্যাদিৰ বাবে অনলাইন সেৱা প্ৰবৰ্তন কৰিছে।

তদুপৰি, সমগ্ৰ ৰাজ্যতে ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগ, ৰাজহুৱা খণ্ডৰ অধীনস্থ আৰু স্বায়ত্বশাসিত সংস্থাৰ দখলত থকা চৰকাৰী ভূমিৰ এক তথ্যভাণ্ডাৰ প্ৰথমবাৰৰ বাবে প্ৰস্তুত কৰা হৈছে, যাতে সামগ্ৰিকভাৱে ভৱিষ্যতৰ চৰকাৰী প্ৰকল্পসমূহৰ সুন্দৰ পৰিকল্পনা আৰু আঁচনিসমূহৰ সফল ৰূপায়ন তথা চৰকাৰী ভূমিৰ সুৰক্ষা প্ৰদান সুনিশ্চিত কৰিব পাৰি। ১১ খন জিলা ক্ৰমে কামৰূপ (মহানগৰ), ধেমাজি, গোলাঘাট, বঙাইগাঁও, বিশ্বনাথ, নলবাৰী, কাচাৰ, চৰাইদেউ, কামৰূপ, বাক্সা, কাৰ্বি আংলং আৰু বজালী (এছ অ' পি ডি'ৰ অধীনত) জিলাত সংহত জিলা উপায়ুক্ত কাৰ্যালয় চৌহদৰ অনুমোদন জনোৱা হৈছে। ৰাজ্যখনত লোক নিৰ্মাণ বিভাগৰ অধীনত স্বাস্থ্য আৰু শৈক্ষিক আন্তঃগাঁথনিমূলক প্ৰকল্পসমূহৰ ৰূপায়ণ খৰতকীয়া কৰিবৰ বাবে অসম লোক নিৰ্মাণ (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ)ৰ অধীনত মুখ্য অভিযন্তা (স্বাস্থ্য আৰু শিক্ষা)ৰ পদ সৃষ্টিৰ বাবে অনুমোদন জনোৱা হৈছে। আসাম ৰিমোট ছেন্সিং এপ্লিকেচন চেণ্টাৰ (ARSAC) টো অসম বিজ্ঞান, প্ৰযুক্তি আৰু পৰিবেশ পৰিষদ (ASTEC)ৰ পৰা পৃথক কৰি অসম ৰাজ্যিক মহাকাশ প্ৰায়োগিক কেন্দ্ৰ (ASSAC) স্থাপন কৰা হয়।

অসম নাগৰিক কেন্দ্ৰিক সেৱা বিতৰণ প্ৰকল্পৰ অধীনত অসম লোকসেৱা অধিকাৰ আইন প'ৰ্টেল সৃষ্টি কৰা হৈছে, যাতে অসম লোক সেৱা অধিকাৰ

আইন, ২০১২ ৰ অধীনত আগবঢ়োৱা সেৱাসমূহৰ ৰূপায়ণ, অৱস্থিতি আৰু বিতৰণ সম্পৰ্কে ৰাইজে জানিব পাৰে আৰু কোনো ৰাজহুৱা সেৱা কেন্দ্ৰ অথবা ঘৰৰ পৰাই আবেদন কৰি এই সেৱাসমূহ অনলাইনযোগে লাভ কৰিব পাৰে। ১১ টা বিভাগৰ ৭২ টা সেৱা এই প'ৰ্টেলত উপলব্ধ কৰা হৈছে আৰু নিৰ্দিষ্ট সময়ৰ ভিতৰতে এই সেৱাসমূহ জনসাধাৰণক আগবঢ়োৱা হয়। যোৱা ৭ অক্টোবৰ, ২০২১ত মুকলি কৰা এই প'ৰ্টেলযোগে প্ৰায় ৫.২৫ লাখ আবেদন গ্ৰহণ লাভ হৈছে আৰু ইয়াৰে ৪.৮৫ লাখ আবেদন নিষ্পত্তি কৰা হৈছে।

প্ৰাকৃতিক দুৰ্যোগৰ সৈতে মোকাবিলা কৰিবলৈ প্ৰশাসনক সুসজ্জিত কৰা হৈছে, তাৎক্ষণিকভাৱে সাহায্য সামগ্ৰী আগবঢ়োৱাৰ লগতে ৰাজ্যিক দুৰ্যোগ সাহায্য পুঁজি (SDRF)ৰ অধীনত ততালিকে ব্যৱস্থা ল'বলৈ জিলা উপায়ুক্তসকলক সম্পূৰ্ণ বিত্তীয় ক্ষমতা প্ৰদান কৰা হৈছে। বানপীড়িতসকলৰ সাহায্য সামগ্ৰীৰ তালিকাত চেনিটেৰী নেপকিনো অন্তৰ্ভুক্ত কৰা হৈছে।

পেঞ্চন ব্যৱস্থাটোক মসৃণ কৰিবলৈ আৰু পেঞ্চনাৰ সকলে সন্মুখীন হোৱা অসুবিধাসমূহ দূৰ কৰি পেঞ্চনৰ লগতে পে' ফিক্সেচন সম্পৰ্কীয় গোচৰসমূহ নিষ্পত্তি কৰিবলৈ কেবিনেটে কৃতজ্ঞতা (KRITAGYATA) প'ৰ্টেলত অনুমোদন জনাইছে। জনসেৱাত দেখুওৱা দক্ষতাৰ ভিত্তিত চৰকাৰে প্ৰতিখন জিলাতে পাঁচগৰাকী ৰাজপত্ৰিত আৰু অৰাজপত্ৰিত বিষয়া-কৰ্মচাৰীক পুৰস্কৃত কৰিব। একেদৰে প্ৰতিবছৰে ১০ গৰাকী ৰাজপত্ৰিত আৰু অৰাজপত্ৰিত বিষয়া-কৰ্মচাৰীক ৰাজ্যিক ভিত্তিত শ্ৰেষ্ঠ বিষয়া-কৰ্মচাৰী বঁটা প্ৰদান কৰিব। প্ৰতিগৰাকী বঁটাপ্ৰাপক বিষয়া-কৰ্মচাৰীৰ চাকৰিকাল এবছৰ বৃদ্ধি কৰা হ'ব।

## জল জীৱন মিছন

অভিভাৱক মন্ত্ৰীৰ অনুমোদনসহ জিলা প্ৰশাসনলৈ ১০ কোটি পৰ্যন্ত টকাৰ পুঁজি ব্যৱহাৰৰ ক্ষমতা বৃদ্ধি কৰাৰ গাঁথনিগত সাল-সলনিৰে জল জীৱন মিছনৰ ৰূপায়ন খৰতকীয়া কৰি তোলা হৈছে। চৰকাৰে কাৰ্যভাৰ গ্ৰহণ কৰাৰ দিনটোত খোৱাপানী যোগানৰ কাৰ্যকৰী ঘৰুৱা টেপ সংযোগ আছিল ৭,১৪,৮৮১ টা আৰু ৯ মাহৰ পাছত (০৯-০৩-২০২২ তাৰিখলৈ) সেয়া হৈছেগৈ ২১,০৯,০১৮ টা। চৰকাৰে কাৰ্যভাৰ লোৱাৰ সময়ত সামৰি লোৱা বিদ্যালয়ৰ সংখ্যা আছিল ৮,৩৫৭

খন আৰু ৯ মাহৰ পিছত ই বৃদ্ধি হৈছে ২৭,৮৬৯ খনলৈ। একেদৰে চৰকাৰে কাৰ্যভাৰ লওঁতে সামৰি লোৱা অংগনবাড়ী আছিল ২,০৫১ খন, যিটো ৯ মাহৰ পাছত ১৩,২২৬ খনলৈ বৃদ্ধি পাইছে। চাহ বাগিছাৰ প্ৰতিখন ঘৰলৈ পাইপ পৰিবাহী খোৱাপানী সংযোগ প্ৰদান কৰিবলৈ কাম-কাজ আৰম্ভ কৰা হৈছে। জল জীৱন মিছন ৰূপায়নৰ সমস্যাসমূহ দূৰ কৰিবলৈ মাজুলীৰ কমলাবাৰীত সদৰ হিচাপে, বজালীৰ পাঠশালাত সদৰ হিচাপে আৰু দক্ষিণ শালমৰা মানকাছৰৰ হাটশিঙিমাৰীত সদৰ হিচাপে জনস্বাস্থ্য কাৰিকৰী সংমণ্ডল সৃষ্টি কৰা হৈছে। নাজিৰাৰ জনস্বাস্থ্য কাৰিকৰী সংমণ্ডলটোক সোণাৰিলৈ স্থানান্তৰিত কৰি চৰাইদেউ সংমণ্ডল হিচাপে নতুনকৈ নামাকৰণ কৰা হৈছে।

চলিত বিত্তীয় বৰ্ষত অসমে ১৪,৪৯,৪৮০ টা খোৱাপানী যোগানৰ কাৰ্যকৰী ঘৰুৱা টেপ সংযোগ প্ৰদান কৰিছে আৰু ই হৈছে চলিত বৰ্ষৰ বৰ্তমানলৈকে প্ৰকৃত সংখ্যাৰ ক্ষেত্ৰত পঞ্চম শ্ৰেষ্ঠ। ৭৮২ খন চাহ বাগিছাৰ পাইপ পৰিবাহী খোৱাপানী সংযোগ নথকা ৪.২ লাখ পৰিয়ালৰ ভিতৰত জল জীৱন মিছনৰ অধীনত ১.৪ লাখ পৰিয়াললৈ খোৱাপানী যোগানৰ কাৰ্যকৰী ঘৰুৱা টেপ সংযোগ প্ৰদান কৰা হৈছে। বাকী থকা ২.৯ লাখ পৰিয়ালক পৰৱৰ্তী বিত্তীয় বৰ্ষত এনে সংযোগ প্ৰদান কৰা হ'ব।

**কৃষকক সহায়ৰ বাবে ধান ক্ৰয়**

২০২১-২২ খাৰিফ বজাৰ বতৰৰ বাবে ভাৰতীয় খাদ্য নিগম, অসম, খাদ্য আৰু অসামৰিক যোগান নিগম লিমিটেড, অসম ৰাজ্যিক কৃষি বিপণন পৰিষদ আদিয়ে প্ৰথম কৃষি বতৰত ১৭৯ টা ধান ক্ৰয় কেন্দ্ৰ আৰু দ্বিতীয় কৃষি বতৰত ১১৭ টা ধান ক্ৰয় কেন্দ্ৰৰ জৰিয়তে ১০ লাখ মেট্ৰিক টন ধান ক্ৰয়ৰ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। এয়া এক সন্তোষজনক বিষয় যে প্ৰথমবাৰৰ বাবে অসম চৰকাৰে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত ৰাজ্যখনক স্বনিৰ্ভৰশীল কৰি তুলিবলৈ এক পথচিত্ৰ প্ৰস্তুত কৰাৰ লক্ষ্য স্থিৰ কৰিছে। চৰকাৰ এতিয়া আগন্তুক বছৰবোৰত বিকেন্দ্ৰীকৃত প্ৰক্ৰিয়াৰে ক্ৰয় কৰিবলৈ সম্পূৰ্ণৰূপে সাজু। ইয়াৰ বাবে অসম খাদ্য আৰু অসামৰিক যোগান নিগম লিমিটেডলৈ প্ৰথম পৰ্যায়ত কাৰ্যকৰী পুঁজি হিচাপে ১৬০ কোটি টকা আৱণ্টন দিয়া হৈছে।

ৰাজ্যখনৰ ক্রয় সম্পৰ্কীয় কাম-কাজ উন্নীত কৰিবলৈ প্ৰতিষ্ঠানটোলৈ অধিক পুঁজিৰ যোগান ধৰা হ'ব। কৃষকসকলক সময়মতে নূন্যতম সমৰ্থিত মূল্য প্ৰদান কৰি কেৱল ওচৰৰ ধান ক্রয় কেন্দ্ৰত তেওঁলোকৰ ধান বিক্ৰী কৰিবলৈ উৎসাহিত কৰা হৈছে। সংবাদ মাধ্যমত দেখা কৃষকসকলৰ প্ৰতিক্ৰিয়াই এই প্ৰচেষ্টাৰ সফলতাৰ প্ৰমাণ দিছে। প্ৰথমবাৰৰ বাবে কৃষকসকলক ভূমি নথিৰ ভিত্তিত পঞ্জীয়ন কৰা হৈছে। এতিয়ালৈকে ৰাজ্যিক প'ৰ্টেলত ৭১,০৫৭ গৰাকী কৃষকক সফলতাৰে পঞ্জীকৃত কৰা হৈছে। ১০ মাৰ্চ, ২০২২ পৰ্যন্ত, ১২,২৪৮ গৰাকী কৃষকে ৮৬,২৮৫ মেট্রিক টন ধান বিক্ৰী কৰিছে আৰু ১৬৩ কোটি টকাৰ নূন্যতম সমৰ্থিত মূল্যৰে লাভান্বিত হৈছে। অসম খাদ্য আৰু অসামৰিক যোগান নিগম লিমিটেড বৰ্তমান নেতৃস্থানীয় ক্রয় প্রতিষ্ঠান হিচাপে পৰিগণিত হৈছে আৰু ই ভৱিষ্যতে ৰাজ্যখনৰ সকলোতে নূন্যতম সমৰ্থিত মূল্যৰ লাভ উপলব্ধ কৰোৱাবলৈ বিকেন্দ্রীকৃত ক্রয় প্রক্রিয়া ৰূপায়ন কৰিব।

ক্রয় পদ্ধতিটোক অধিক শৃংখলাবদ্ধ কৰাৰ লগতে স্বচ্ছতা আনিবলৈ অসম চৰকাৰে ভাৰত চৰকাৰৰ দ্বাৰা নিৰ্ধাৰিত সকলো নিয়ম অন্তৰ্ভুক্ত কৰি অনলাইন ধান ক্রয় পদ্ধতি আৰম্ভ কৰিছে আৰু ইয়াক চলিত খাৰিফ বজাৰ বতৰত সকলো ক্রয় প্রতিষ্ঠানেই ব্যৱহাৰ কৰিছে।

## নিয়োগ অভিযান

নিৰ্বাচনৰ সময়ৰ এটা গুৰুত্বপূৰ্ণ প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ চৰকাৰে যুৱক-যুৱতীসকললৈ এক লাখ চাকৰি প্ৰদানৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। ইয়াৰ ভিতৰত আছে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিৰ বাবে নিযুক্তি আয়োগ গঠন, অসম লোকসেৱা আয়োগৰ জৰিয়তে সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষা অনুষ্ঠিত কৰি গ্ৰুপ এ আৰু গ্ৰুপ বি পদৰ নিযুক্তি প্ৰদান, অসম অভিযান্ত্ৰিক সেৱা নিযুক্তি ব'ৰ্ড গঠন আৰু চৰকাৰী চাকৰিৰ বাবে বাছনি কৰা প্ৰাৰ্থীৰ ক্ষেত্ৰত আৰক্ষীৰ পৰীক্ষা প্ৰতিবেদনৰ স্থানত ন'টাৰীযুক্ত শপতনামাৰ ব্যৱহাৰ আদি। নিযুক্তি আয়োগৰ দ্বাৰা ২৭,০০০ টা তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ বাবে নিযুক্তি প্ৰক্ৰিয়া শীঘ্ৰেই আৰম্ভ হ'ব।

ইয়াৰোপৰি কিছুমান প্ৰশাসনিক বিভাগে নিজাববীয়াকৈ বিশেষভাৱে গঠিত ব'ৰ্ডৰ জৰিয়তে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ বাবে বিজ্ঞাপন, বাছনি আৰু নিযুক্তি প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ কৰিছে, যেনে- স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ অসম চিকিৎসা আৰু স্বাস্থ্য নিযুক্তি ব'ৰ্ড, পৰিৱেশ আৰু বন বিভাগৰ উচ্চ পৰ্যায়ৰ এজেন্সী, শিক্ষা বিভাগৰ ৰাজ্যিক টেট এম্পাৱাৰ্ড কমিটী আৰু গৃহ বিভাগৰ ৰাজ্যিক পৰ্যায়ৰ আৰক্ষী নিযুক্তি ব'ৰ্ড। এই নিযুক্তি ব'ৰ্ডসমূহে ৩৭,০০০ তকৈয়ো অধিক পদত নিযুক্তি প্ৰক্ৰিয়া চলাই আছে।

ৰাজ্যিক ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান, ব'ৰ্ড আৰু সেইসমূহৰ অধীনৰ কাৰ্যালয়ত অতিৰিক্ত খালী পদ আছে, যিসমূহৰ বিজ্ঞাপন, অনুমোদন আৰু নিযুক্তিৰ বাবে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ বাবে থকা ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগক পৰৱৰ্তী পৰ্যায়ত দায়িত্ব দিয়া হ'ব।

**বৰ্দ্ধিত বাজেট ব্যয় আৰু মূলধনী খৰচ**

বিগত ৫ বছৰত ব্যয়ৰ ধাৰটো ক্ৰমাগতভাৱে বৃদ্ধি হৈ আহিছে। ইয়াৰ মূল কাৰণ হৈছে সুন্দৰ বিত্তীয় ব্যৱস্থাপনা আৰু ৰাজ্যখনত বৃহৎ পৰিমাণৰ ক্ৰয় সংস্কাৰ আদিকে ধৰি খৰচৰ পুংখানুপুংখ পৰিকল্পনা। ব্যয়ৰ এই পৰিমাণ বৃদ্ধিয়ে মূলধনী ব্যয়ত অৰ্থ-বিনিয়োগ কৰি সমগ্ৰ আৰ্থিক ব্যৱস্থাটো এখোজ আগবাঢ়ি যোৱাত সহায় কৰিছে। ৰাজ্যখনৰ সামগ্ৰিক খৰচৰ পৰিমাণ ২০১৫-১৬ বৰ্ষৰ ৪১,৯৩১ কোটি (বাজেটৰ ৬৩%) টকাৰ পৰা ২০১৯-২০ বৰ্ষত ৯৯,৪১৯ কোটি (বাজেটৰ ৮৩%) টকালৈ লক্ষণীয়ভাৱে বৃদ্ধি পাইছে।

মূলধনী ব্যয়ও ক্ৰমাগতভাৱে বৃদ্ধি পাই আহিছে। ২০১৫-১৬ বৰ্ষত এই পৰিমাণ মাত্ৰ ৪,৯১৯ কোটি টকা আছিল। যি কি নহওঁক, ২০২০-২১ বৰ্ষত এই পৰিমাণ ১৪,৬৩৫ কোটি টকালৈ বৃদ্ধি পাইছিল। এই পৰিমাণ ২০২১-২২ বৰ্ষটো বৃদ্ধি হোৱাৰ আশা কৰা হৈছে।

**বহিঃ সাহায্যপ্ৰাপ্ত প্ৰকল্পসমূহ**

বহিঃ সাহায্যপ্ৰাপ্ত প্ৰকল্পসমূহ মোৰ চৰকাৰৰ উল্লেখযোগ্য সম্পদৰাজিৰ অন্যতম। আমি আমাৰ বুনিয়াদী আন্তঃগাঁথনি নিৰ্মাণ, সামৰ্থ নিৰ্মাণ আৰু সামাজিক নিৰাপত্তা নেটৱৰ্ক বৃদ্ধি কৰাত এই সম্পদ বিলাক ব্যৱহাৰ কৰি আহিছো। বৰ্তমানে

বহিঃ সাহায্যৰ জৰিয়তে প্ৰায় ১৬,৮৪৩ কোটি টকাৰ প্ৰকল্প বিত্ত, পৰিবহন, ৰাজহুৱা সেৱা, পথ আৰু দলঙৰ আন্তঃগাঁঠনি, কৃষি, পৰিৱেশ আৰু বন, পানী যোগান আৰু পয়ঃ প্ৰণালী, শক্তি , দক্ষতা উন্নয়ন আদি বিভিন্ন খণ্ডৰ কাম বিভিন্ন পৰ্যায়ত চলি আছে। ঠিক তেনেদৰে, প্ৰায় ৩৭,৫৭৮ কোটি টকাৰ প্ৰকল্প পথ আন্তঃগাঁথনি উন্নীতকৰণ আৰু উন্নয়ন, শক্তি, মীন পাম, স্বাস্থ্য, জলসম্পদ আদি বিভিন্ন খণ্ডত ৰূপায়ণ কৰিবলৈ লোৱা হৈছে। যাৰ ভিতৰত অন্যতম উল্লেখযোগ্য হৈছে ৩,০৯৪ কোটি টকাৰ ওপৰৰ ব্ৰহ্মপুত্ৰ নদীৰ ওপৰেৰে পলাশবাৰী আৰু শুৱালকুছি সংযোগ কৰা অসম দলং প্ৰকল্প-২, ৪,৩৬০ কোটি টকাৰ ওপৰৰ অসম ৰাজ্যিক দলং আন্তঃগাঁথনি প্ৰকল্প, স্বাস্থ্য ব্যৱস্থাৰ শক্তিশালীকৰণ আৰু ৩,৮৭৫ কোটি টকাৰ ওপৰৰ অসম চিকিৎসা শিক্ষাৰ উৎকৰ্ষ আদি। তদুপৰি, ১০,০০০ কোটি টকাৰ ওপৰৰ কিছুমান প্ৰকল্প প্ৰাৰম্ভিক পৰ্যায়ত আছে আৰু আগন্তুক বিত্তীয় বৰ্ষত ভাৰত চৰকাৰৰ ওচৰত প্ৰস্তাৱ দাখিল কৰা হ'ব। বেছিভাগ প্ৰকল্পই আন্তঃগাঁঠনিৰ উন্নয়নৰ উদ্দেশ্যে মূলধন বিনিয়োগ প্ৰকল্প, যিবিলাকে বহু নিয়োগৰ সুবিধা সৃষ্টি কৰিব আৰু ৰাজ্যখনৰ দীৰ্ঘম্যাদী অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰাত সহায়ক হ'ব।

একেদৰে, বানপানী আৰু খহনীয়াৰ বিষয়টো ফলপ্ৰসূভাৱে সমাধান কৰাৰ বাবে অসম চৰকাৰে বিশ্ব বেংক আৰু এছিয়ান ডেভেলপমেণ্ট বেংকৰ পৰা বিনিয়োগৰ সুবিধা লাভ কৰিছে। ইয়াৰ যোগেদি কাঠামোগত আৰু অকাঠামোগত উপাদানবোৰ ন্যায় সংগতভাৱে একত্ৰিত কৰি এক সংহত নদী অৱবাহিকা পৰিকল্পনা পদ্ধতি যুগুত কৰিব পৰা যাব।

বিশ্ব বেংকৰ পুঁজি প্ৰাপ্ত "দ্য আছাম ইনট্ৰিগ্ৰেটেড ৰিভাৰ বেছিন মেনেজমেন্ট প্ৰগ্ৰাম" (AIRBMP) ব্ৰহ্মপুত্ৰৰ কেইখনমান নিৰ্বাচিত উপনৈত ৰূপায়ণ কৰা হ'ব। ইয়াৰ প্ৰকল্প ব্যয় হৈছে ৬২৫ মিলিয়ন মাৰ্কিন ডলাৰ ।

ৰাজ্য চৰকাৰে বিশ্ব বেংকৰ সৈতে যোগাযোগ চলাই আছে আৰু পথ আৰু দলঙ আন্তঃগাঁঠনি প্ৰকল্প, দ্বিতীয় স্তৰৰ স্বাস্থ্য আন্তঃগাঁঠনি উন্নীতকৰণ আৰু বিজ্ঞানসন্মত তথ্য তথা আধুনিক প্ৰযুক্তি ব্যৱহাৰেৰে জলসম্পদ ব্যৱস্থাপনা আদি বহুধৰণৰ প্ৰকল্পৰ ক্ষেত্ৰত মধ্যকালীন ৰাজ্যিক অংশীদাৰিত্ব গঢ়াৰ হকে কাম কৰিবলৈ উভয় পক্ষ সহমতলৈ আহিছে।

**শক্তিখণ্ডৰ সৰলীকৰণ**

অসম শক্তি বিতৰণ কোম্পানীয়েই হ'ল অসমৰ প্ৰধান শক্তি বিতৰণ সংস্থা, যিয়ে ৬৬ লাখতকৈও অধিক গ্ৰাহকক বিদ্যুত যোগান ধৰে। ২০২১ চনৰ মে' মাহত ৮৩১ কোটি টকা কেন্দ্ৰীয় শক্তি উৎপাদনকাৰী কোম্পানীসমূহক পৰিশোধ কৰিবলগীয়া হৈ আছিল। এন টি পি চি -য়ে শক্তি যোগান কৰ্ত্তন কৰিবলৈ জাননী জাৰি কৰিছিল, যাৰ ফলস্বৰূপে সমগ্ৰ ৰাজ্যতে ব্যাপক লোড চেডিং (বিদ্যুত কৰ্ত্তন) কৰিব লগা হ'লহেঁতেন। সেই সময়ত প্ৰায় ৬০০ কোটি টকা প্ৰণালীবদ্ধ আৱণ্টনৰ পৰা বেলেগ শিতানলৈ স্থানান্তৰ কৰা হৈছিল, যাতে শক্তি ক্ৰয়ৰ খৰচ আৰু অন্যান্য প্ৰতিষ্ঠানগত ধাৰবোৰ পূৰাব পৰা যায়। নতুন চৰকাৰখন ২০২১ চনৰ ১০মে' তাৰিখে শাসনলৈ আহিছিল আৰু বিতৰক কোম্পানীৰ ক্ষেত্ৰত বহুতো সংস্কাৰমূলক ব্যৱস্থা প্ৰৱৰ্তন কৰিছিল।

ৰাজ্য চৰকাৰে এ পি ডি চি এলক বিগত বছৰসমূহত দিয়া ৪,২৯০ কোটি টকাৰ ৰাজ্য চৰকাৰৰ ঋণ আৰু অনুদান অংশীদাৰিত্বলৈ ৰূপান্তৰিত কৰিছে। তাৰোপৰি, ৰাজ্য চৰকাৰে ৩৪৬ কোটি টকাৰ পৰিশোধ নকৰা (বকেয়া) সুত ৰেহাই দিছে। ই এ.পি.ডি.চি.এলৰ বেলেঞ্চ চীটৰ ঋণ লাভৰ যোগ্যতা বৃদ্ধি কৰিছে। সেই একে ধৰণৰ ব্যৱস্থা অসম শক্তি উৎপাদন কোম্পানী লিমিটেড (APGCL) আৰু আছাম এনাৰ্জি গ্ৰীড কৰ্পোৰেচন লিমিটেড(AEGCL) ৰ ক্ষেত্ৰতো প্ৰয়োগ কৰা হৈছে।

- এ পি ডি চি এলে বৰ্তমান চলি থকা মিটাৰসমূহ সলনি কৰি তাৰ ঠাইত প্ৰি-পেইড স্মাৰ্ট মিটাৰ স্থাপন কৰিবলৈ বহুতো প্ৰকল্প হাতত লৈছে। সমগ্ৰ ৰাজ্যতে ২০২১ চনৰ জুন মাহলৈকে ২.৫ লাখতকৈও বেছি স্থাপন কৰা হৈছে আৰু ১০ লাখ স্মাৰ্ট মিটাৰ স্থাপন কৰাৰ কাম চলি আছে।

- অসমেই এতিয়ালৈকে একমাত্ৰ ৰাজ্য যিয়ে "ৰিভেম্প ডিষ্ট্ৰিবিউচন ছেক্টৰ স্কিম"ৰ অধীনত ২০২৪-২৫ বিত্তীয় বৰ্ষৰ ভিতৰত এ টি এণ্ড চি ব্যয় ১৫ শতাংশলৈ কমাব পৰাকৈ বৰ্তমানৰ আন্তঃগাঁথনি উন্নীতকৰণৰ বাবে শক্তি মন্ত্ৰালয়ৰ পৰা অনুমোদন লাভ কৰিছে। অসমৰ বাবে অনুমোদন কৰা প্ৰকল্প অৰ্থ ব্যয় হ'ল ৮,৭২৭ কোটি টকা।

- অসম চৰকাৰে নিৰ্ভৰযোগ্য শক্তি আৰু ভল্টেজ উন্নীতকৰণ নিশ্চিত কৰিবৰ বাবে এ আই আই বি (AIIB) পুঁজিপ্ৰাপ্ত প্ৰকল্পত অনুমোদন দিছে। এ পি ডি চি এলৰ ২০০ নতুন চাবষ্টেচন (SUB-STATION) নিৰ্মাণ আৰু অন্যান্য আন্তঃগাঁঠনিৰ বাবে এই প্ৰকল্পৰ মুঠ অৰ্থ ব্যয় ৩,২৮৪ কোটি টকা।
- গ্ৰাম্য গ্ৰাহকৰ সুবিধাৰ্থে এ পি ডি চি এলে ইজি পে' নামৰ এক ডিজিটেল ৱালেটৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিছে, যিটোৱে গ্ৰাম্য অঞ্চলত শক্তি বিল সংগ্ৰহ কৰাত যথেষ্ট অগ্ৰগতি দেখুৱাইছে আৰু নিয়োগ সৃষ্টিও কৰিছে।
- এ পি ডি চি এলে ২০২১ চনৰ জুন মাহৰ পৰা ২০২২ চনৰ ফেব্ৰুৱাৰী মাহৰ ভিতৰত প্ৰাপ্য ৪,৭২০ কোটি টকাৰ বিপৰীতে ৪,৯৬৪ কোটি টকা সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে, যিটো সংগৃহীত দক্ষতাৰ হিচাবত ১০৫ শতাংশ।
- সকলো চৰকাৰী উপভোক্তাই নিয়মীয়া পৰিশোধ কৰিছে। অসম চৰকাৰে ২০২১ চনৰ জুন মাহৰ পৰা ২০২২ চনৰ জানুৱাৰী মাহৰ ভিতৰত ৯ টা কেন্দ্ৰীয়কৃত বিভাগৰ বিপৰীতে ১৭৪ কোটি টকা পৰিশোধ কৰিছে। তাৰোপৰি, অন্যান্য চৰকাৰী বিভাগৰ ক্ষেত্ৰতো চৰকাৰে প্ৰায় সকলো বাকী থকা পৰিশোধ কৰিবলগীয়া মাচুল এৰি দিছে। চৰকাৰী বিভাগৰ পৰিশোধ কৰিবলগীয়া বিদ্যুত বিল পৰিশোধৰ ব্যৱস্থাটো দক্ষ কৰি তুলিবৰ বাবে এক গোলকীয় শিতান (Global Head) সৃষ্টি কৰা হৈছে।
- ২০২১ চনৰ জুন মাহৰ পৰা ২০২২ চনৰ ফেব্ৰুৱাৰী মাহৰ ভিতৰত এ পি ডি চি এলে ৫৮৬ কোটি বকেয়া সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে। ২০২১ চনৰ জুন মাহৰ আৰম্ভণিত বাকী থকা ধনৰ পৰিমাণ আছিল ২,১২০ কোটি টকা। ২০২২ চনৰ ফেব্ৰুৱাৰী মাহৰ শেষত বাকী থকা ধনৰ পৰিমাণ ১,৫৩৪ কোটি টকালৈ হ্ৰাস পাইছে।
- **বিল আদায় প্ৰক্ৰিয়া উন্নীতকৰণ ঃ** বিগত বিত্তীয় বৰ্ষৰ তুলনাত চলিত বিত্তীয় বৰ্ষৰ শেষৰ তিনিটা ত্ৰিমাসিকত এ পি ডি চি এলে শক্তি বিল আদায় কৰাত ৮ শতাংশ বৃদ্ধিৰ অভিলেখ গঢ়িছে।

মই আপোনালোক সকলোকে জনাবলৈ পাই সুখী হৈছো যে শক্তি খণ্ডৰ সকলো উপযোগী কোম্পানীয়ে এই বিত্তীয় বৰ্ষত যথেষ্ট লাভ আহৰণ কৰিব বুলি আশা কৰা হৈছে। ইয়াৰ কাৰণ হৈছে এই খণ্ডত সম্পন্ন হোৱা বিভিন্ন সংস্কাৰ। এ পি ডি চি এলে যদিও বিশেষভাৱে যথেষ্ট লাভ অৰ্জন কৰিছে, তথাপি এই লাভখিনি গ্ৰাহকক দিয়াটো সম্ভৱ হৈ উঠা নাই। কাৰণ এ পি ডি চি এলে ক'ভিডৰ সময়ত (২০২০-২১) প্ৰায় ৬০০ কোটি টকাৰ লোকচানৰ সন্মুখীন হৈছিল আৰু এইটো মাচুলৰ লগত সংযুক্ত কৰি সংশোধিত ৰূপত আগবঢ়াই নিয়া হ'ব। যি কি নহওঁক, অধিক মাচুল বৃদ্ধিৰ সম্ভাৱনীয়তা ৰোধ কৰাৰ উদ্দেশ্যে মোৰ চৰকাৰে এ পি ডি চি এলক ৰেহাই প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে, যাতে শক্তি মাচুল পৰিশোধ কৰিবলৈ সমৰ্থ হয়।

এতিয়া মোৰ চৰকাৰৰ মূল উদ্দেশ্যে হৈছে-অনাগত দিনত নৱীকৰণযোগ্য শক্তিৰ জৰিয়তে শক্তি উৎপাদন কৰা।

কেন্দ্ৰীয় শক্তি মন্ত্ৰী শ্ৰী আৰ কে সিঙে অলপতে অসমলৈ আহোতে ৰাজ্যখনৰ বিষয়ে যথাযথভাৱে মন্তব্য কৰিছিল- " বিদ্যুৎ খণ্ডত অসম ইতিমধ্যে এক অগ্ৰণী ৰাজ্যৰূপে পৰিগণিত হৈছে .....মই এই বিষয়ে উল্লেখ কৰি সন্তুষ্টি লাভ কৰিছো যে মই শক্তি মন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ সময়ৰ অসমখন আৰু এতিয়াৰ অসমখনৰ মাজত এক বৃহৎ ব্যৱধান পৰিলক্ষিত হৈছে .....অসমে নিজৰ বৈদ্যুতিকৰণৰ ব্যৱস্থাটো শক্তিশালীৰূপে গঢ় দিছে.....প্ৰতিঘৰ পৰিয়ালকে বিদ্যুৎ যোগান ধৰিছে.....বিদ্যুৎখণ্ডৰ ক্ষয়-ক্ষতিৰ পৰিমাণ হ্ৰাস কৰিছে ..... দক্ষতা বৃদ্ধি কৰিছে ..... আৰু কেৱল মাত্ৰ দুই দিনৰ আগতে মই অসমৰ কথা উল্লেখ কৰি সকলো মুখ্যমন্ত্ৰীলৈ লিখিছিলো যে তেওঁলোকেও অসমৰ দৰে পাৰদৰ্শিতা লাভ কৰিব পাৰে।"

**চুবুৰীয়া ৰাজ্যৰ সৈতে সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক বজাই ৰখা**

সীমামূৰীয়া ৰাজ্য নগালেণ্ড, মেঘালয়, অৰুণাচল প্ৰদেশ আৰু মিজোৰাম গঠন হোৱাৰ পিছৰেপৰা সেই ৰাজ্যসমূহৰ সৈতে অসমে সীমা বিবাদৰ সন্মুখীন হৈ আহিছে। বৰ্তমান মোৰ চৰকাৰে এই সীমান্ত বিবাদৰ চূড়ান্ত নিষ্পত্তিৰ বাবে বলিষ্ঠ আৰু ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিছে।প্ৰশাসনিক সুবিধা, নিকটতা,

নৃ-গোষ্ঠী, ৰাইজৰ মতামত আৰু ঐতিহাসিক দৃষ্টিভংগীৰ পঞ্চসূত্ৰ মাপকাঠি হিচাপে ব্যৱহাৰ কৰি স্থানীয় ৰাইজ আৰু সামাজিক সংগঠনক লগত লৈ দুয়োপক্ষৰ মন্ত্ৰীসকলৰ নেতৃত্বত আঞ্চলিক সমিতি গঠনৰ দ্বাৰা এনে ১২ টা ক্ষেত্ৰৰ ভিতৰত বিবাদমান ৬ টা অঞ্চলৰ জটিলতা থকা সীমা সমস্যা সমাধানৰ বাবে মেঘালয় চৰকাৰৰ সৈতে অভূতপূৰ্ব পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই সমিতিসমূহৰ পৰামৰ্শ অনুসৰি দুয়োখন ৰাজ্যৰ মাজত এখন বুজাবুজিৰ চুক্তিৰ ব্যৱস্থা কৰা হয় আৰু এই প্ৰচেষ্টা ফলৱৰ্ত্তী কৰিবৰ বাবে ভাৰত চৰকাৰে প্ৰয়োজনীয় কাম আৰম্ভ কৰিছে।

অসম আৰু মেঘালয়ৰ মাজৰ মতভেদ স্থায়ী নিষ্পত্তিৰ দিশে আগবাঢ়ি যোৱাৰ লগে লগে অৰুণাচল প্ৰদেশ, মিজোৰাম আৰু নাগালেণ্ডৰ দৰে চুবুৰীয়া আন আন ৰাজ্যসমূহেও অসমৰ সৈতে তেওঁলোকৰ সীমান্ত বিবাদৰ মীমাংসাৰ প্ৰয়োজনীয়তাৰ পোষকতা কৰিছে আৰু এই দিশত ইতিমধ্যে অৰুণাচল প্ৰদেশৰ সৈতে আলোচনা আৰম্ভ হৈছে। মই নিশ্চিত যে, এনেধৰণৰ পদক্ষেপে উত্তৰ-পূৰ্বাঞ্চলৰ ঐক্যবদ্ধ পৰিচয় সুদৃঢ় কৰিব।

## সকলোৰে বাবে স্বাস্থ্য নিশ্চিতকৰণ

স্বাস্থ্যসেৱাৰ আন্তঃগাঁথনি আৰু সেৱাৰ উন্নতকৰণৰ বাবে নিৰন্তৰ প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে। ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য জৰীপ (NFHS)ৰ শেহতীয়া তথ্যত এই প্ৰচেষ্টাই সুফল দিয়াৰ কথা দেখা গৈছে।

ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য জৰীপ-৪ (২০১৫-১৬) অনুসৰি প্ৰতি ১,০০০ জীৱিত জন্মৰ ভিতৰত ৰাজ্যখনৰ পাঁচ বছৰৰ তলত মৃত্যুৰ হাৰ (অৰ্থাৎ ০-৫ বছৰ বয়সৰ শিশুৰ মৃত্যু) ৫৬.৫ শতাংশ, যিটো ৰাষ্ট্ৰীয় গড়ৰ ৪৯.৭ ৰ তুলনাত অতি উচ্চ আছিল। কিন্তু, ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য জৰীপ-৫ (২০১৯-২০)এ দেখুৱাইছে যে ৰাজ্যই এই হাৰ কমাবলৈ সক্ষম হৈছে। ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য জৰীপ-৫ (২০১৯-২০) অনুসৰি, ৫ বছৰৰ তলৰ মৃত্যুৰ হাৰ ৰাষ্ট্ৰীয় গড় ৪১.৯ শতাংশৰ তুলনাত ৰাজ্যখনত ৩৯.১ শতাংশ। তাৰ অৰ্থ এয়ে যে, ৰাজ্যখনৰ শিশুৰ মৃত্যুৰ হাৰ ৰাষ্ট্ৰীয় গড়ৰ তুলনাত নিম্ন, যিটো পোন প্ৰথমবাৰৰ বাবে দেখা গৈছে।

একেদৰে, ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য জৰীপ -৪ (২০১৫-১৬) অনুসৰি ১,০০০ জীৱিত জন্মৰ বিপৰীতে ৰাজ্যখনৰ শিশুৰ মৃত্যুৰ হাৰ (IMR) (অৰ্থাৎ ০-১ বছৰ বয়সৰ শিশুৰ মৃত্যু) ৪৭.৬ শতাংশ, যিটো ৰাষ্ট্ৰীয় গড় ৪০.৭ শতাংশৰ তুলনাত যথেষ্ট বেছি আছিল। কিন্তু ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য জৰীপ-৫ (২০১৯-২০) অনুসৰি, ৰাজ্যখনৰ নৱজাতকৰ মৃত্যুৰ হাৰ ৰাষ্ট্ৰীয় গড় ৩৫.২ শতাংশৰ তুলনাত ৩১.৯ শতাংশলৈ নিম্নগামী হৈছে। তাৰ অৰ্থ, ৰাজ্যখনৰ শিশুৰ মৃত্যুৰ হাৰো ৰাষ্ট্ৰীয় গড়ৰ তুলনাত নিম্ন।

একেদৰে, নৱজাতকৰ মৃত্যুৰ হাৰত (Neo-Natal Mrotality Rate) (NMR) (অৰ্থাৎ ০-২৮ দিনৰ বয়সৰ নৱজাতকৰ মৃত্যু) ক্ষেত্ৰটো উল্লেখনীয় ভাৱে হ্ৰাস পাইছে। ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য জৰীপ-৪ (২০১৫-২০১৬) ত থকা ৰাজ্যখনত নৱজাতকৰ মৃত্যুৰ হাৰ (NMR) ৩২.৮ শতাংশৰ পৰা ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য জৰীপ-৫ (২০১৯-২০) ত ২২.৫ শতাংশলৈ নিম্নগামী হৈছে। বৰ্তমান, ৰাষ্ট্ৰীয় গড় ২৪.৯ (ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য জৰীপ-৫)ত কৈও ৰাজ্যখনত নৱজাতকৰ মৃত্যুৰ হাৰ (NMR) কম।

মাতৃ স্বাস্থ্য সূচকৰ ক্ষেত্ৰতো অসমে উল্লেখনীয় উন্নতি প্ৰদৰ্শন কৰিছে। গৰ্ভধাৰণৰ যত্ন, প্ৰসৱৰ যত্ন, প্ৰসৱোত্তৰ যত্ন, জন্মৰ সময়ত লিংগ অনুপাত, মুঠ উৰ্ব্বৰতাৰ হাৰ, টিকাকৰণ সেৱা ইত্যাদিয়ে স্বাস্থ্য বিভাগে কৰা প্ৰচেষ্টাসমূহ স্পষ্টভাৱে আঙুলিয়াই দিয়ে।

স্বাস্থ্য খণ্ডত তৃতীয় স্তৰৰ পৰিচৰ্যা উন্নত কৰা আৰু আন্তঃগাঁথনি উন্নয়নৰ বাবে জাপান আন্তঃৰাষ্ট্ৰীয় সহযোগিতা সংস্থা (JICA) আৰু ভাৰত চৰকাৰৰ সমৰ্থনত অসম চৰকাৰে এটা প্ৰকল্প হাতত লৈছে। ইয়াৰ মুঠ প্ৰকল্প ব্যয় আনুমানিক ৩,৮০০ কোটি টকা আৰু মুখ্য উপাদানবোৰ হৈছে ৬ খন চিকিৎসা মহাবিদ্যালয় (শিলচৰ, তেজপুৰ, যোৰহাট, বৰপেটা, ডিফু আৰু লক্ষীমপুৰ)ত চুপাৰ স্পেচিয়েলিটী শাখা (Wing)ৰ নিৰ্মাণ আৰু উন্নয়ন, ৬ খন জিলা চিকিৎসালয় (শিলচৰ, ওদালগুৰি, হোজাই, হাইলাকান্দি, দৰং আৰু ডিমা-হাছাও)ত আন্তঃগাঁথনি উন্নয়ন আৰু কাৰ্যদক্ষতা বৃদ্ধি কৰা।

জনসংখ্যাৰ অনুপাত হিচাপে অসমত চিকিৎসকৰ সংখ্যা কম। এই অভাৱ দূৰ কৰিবলৈ চৰকাৰে ৰাজ্যখনত অধিকসংখ্যক চিকিৎসা মহাবিদ্যালয় স্থাপন কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিছে। এই প্ৰচেষ্টাৰ অংশ হিচাপে লক্ষীমপূৰ চিকিৎসা মহাবিদ্যালয়ে এই বছৰৰ পৰা কাম আৰম্ভ কৰিছে আৰু আন বহুকেইখন মহাবিদ্যালয় নিৰ্মাণৰ কাম বিভিন্ন পৰ্যায়ত আছে। মোৰ চৰকাৰে ধুবুৰী, নগাঁও আৰু কোকৰাঝাৰত চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণ সম্পূৰ্ণ কৰিবলৈ লৈছে।

## পৰম্পৰা আৰু পুৰণি প্ৰমূল্যৰ প্ৰতি সন্মান

পৰম্পৰা আৰু পুৰণি প্ৰমুল্যৰ প্ৰতি সন্মান জনাই ৰাজ্য চৰকাৰে ৮ আৰু ৯ জানুৱাৰী, ২০২২ত দ্বিতীয় শনিবাৰ আৰু দেওবাৰৰ বন্ধ দিন দুটাৰ সৈতে ৬ আৰু ৭ জানুৱাৰী, ২০২২ত নৈমিত্তিক ছুটী প্ৰদান কৰি চৰকাৰী কৰ্মচাৰীসকলক এই দিনকেইটা তেওঁলোকৰ পিতৃ-মাতৃ আৰু শহুৰ-শাহুৰ সৈতে কটাবলৈ সুবিধা কৰি দিয়ে। গৰুৰ চোৰাং ব্যৱসায় বন্ধ কৰিবৰ বাবে ২২ নৱেম্বৰ, ২০২১ৰ পৰা 'অসম গো-সুৰক্ষা আইন, ২০২১' (The Assam Cattle Preservation Act'2021) কাৰ্যকৰী কৰা হৈছিল। ইয়াৰ সূচাৰু ৰূপায়ণৰ বাবে ২০২১ চনৰ ২৩ ডিচেম্বৰত বিধান সভাত এখন সংশোধনী বিধেয়কো গৃহীত হৈছিল। কভিড-১৯ ৰ জটিল পৰিৱেশৰ পৰা পৰিত্ৰাণৰ নিমিত্তে ৰাজ্য চৰকাৰে ভ্ৰাম্যমাণ থিয়েটাৰৰ ১৭ গৰাকী নিৰ্মাতাৰ প্ৰত্যেকলৈ ১০ লাখ টকাকৈ আৰ্থিক সাহায্যও প্ৰদান কৰিছে।

## ঐতিহ্যৰ সুৰক্ষা

এই পবিত্ৰ সদনৰ সদস্য সকল অৱগত যে, কুৰুক্ষেত্ৰ যুদ্ধৰ, যাৰবাবে প্ৰস্তাৱিত কাল হৈছে খৃষ্টপূৰ্ব ১০ শতিকা, পূৰ্বে তিব্বত স্বায়ত্ব শাসিত অঞ্চল, দক্ষিণ-পশ্চিম চীন, ম্যানমাৰৰ পৰা প্ৰব্ৰজিত হৈ মংগোলীয় লোকসকলৰ বিভিন্ন গোট উত্তৰ পূব ভাৰতত প্ৰৱেশ কৰিছিল, যি কথা সুনীতি কুমাৰ চেটাৰ্জীয়ে তেওঁৰ 'কিৰাট জনকৃতি' নামৰ গ্ৰন্থখনত উল্লেখ কৰিছিল। প্ৰব্ৰজন অনুসৰি, অসমৰ জনজাতিবোৰক দুটা গোটত বিভক্ত কৰিব পাৰি, যেনে জনজাতিৰ উত্তৰ গোট অৰ্থাৎ যি সকলে দক্ষিণ পশ্চিম চীনত অৱস্থিত বৰ্তমানৰ তিব্বত স্বায়ত্ব শাসিত অঞ্চলৰ পৰা নদীৰ গতি বিশেষকৈ ব্ৰহ্মপুত্ৰক অনুসৰণ কৰি বা গিৰিপথেৰে প্ৰব্ৰজন কৰিছিল আৰু জনজাতিৰ পূৰ্বীয় গোট, অৰ্থাৎ ম্যানমাৰৰ পৰা যি সকলে উত্তৰ পূব ভাৰতলৈ আহিছিল।

উত্তৰৰ জনজাতি সকল হ'ল- বড়ো (কছাৰী), মেছ, ডিমাছা (কছাৰী), গাৰো, ৰাভা, তিৱা, দেউৰী, কাছাৰৰ বৰ্মন, হাজং আৰু মিচিং। মিচিং জনগোষ্ঠীক বাদ দি বাকী সকলো উত্তৰ জনজাতি প্ৰট'-বড়ো গোষ্ঠীয় মূলৰ। চুতীয়া, মৰাণ আৰু কোঁচ (বৰ্তমান ৰাজবংশী নামৰ গোট এটাৰ সৈতে একেলগে কোঁচ ৰাজবংশী হিচাপে উল্লেখ কৰা হয়) সকলোৰ সামাজিক গঠনো প্ৰাচীন বড়ো জাতিৰ পৰা উদ্ভৱ বুলি কোৱা হয়, কিন্তু তেওঁলোকক অনুসূচীত জনজাতিৰ তালিকাত অন্তৰ্ভূক্ত কৰা হোৱা নাই। বৰ্তমান অসমত বসবাস কৰা পূৰ্বীয় জনজাতি সকল হ'ল- কুকি, নগা, মিজো, মাৰ, চিংফৌ, খাম্‌তি, মান (টাই ভাষিক), চাকমা, পাৰি, লাখেৰ, খাচী আৰু জয়ন্তীয়া। মই আপোনালোকক জনাব বিচাৰো যে, এই সকলো খিলঞ্জীয়া আৰু জনজাতীয় সম্প্ৰদায়ৰ স্বাৰ্থ সুৰক্ষিত কৰিবৰ বাবে মোৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

শদিয়া ট্ৰাইবেল বেল্টত অসম ভূমি আৰু ৰাজহ অধিনিয়ম (The Assam Land and Revenue Regulation)ৰ অধ্যায় ১০ৰ অধীনতআহোম, মৰাণ, মটক, চুতীয়া আৰু গোৰ্খা সম্প্ৰদায়ৰ লোকসকলক শ্ৰেণীভূক্ত কৰি সুৰক্ষা প্ৰদানৰ বাবে অধিসূচীত কৰা হৈছে। ধেমাজি জিলাৰ মূৰ্কংচেলেক জোনাই ট্ৰাইবেল বেল্টত টাই আহোম, চুতীয়া, খিলঞ্জীয়া কোঁচ ৰাজবংশী আৰু গোৰ্খা সম্প্ৰাদায়ক সুৰক্ষিত শ্ৰেণীৰ তালিকাত অন্তৰ্ভূক্ত কৰা হৈছে। BTRৰ জিলা সমূহৰ জনজাতীয় বেল্ট আৰু ব্লকত গোৰ্খা সম্প্ৰাদায়ক ৰাজ্য চৰকাৰে সুৰক্ষিত শ্ৰেণীৰ তালিকাত অন্তৰ্ভূক্ত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

ধেমাজি জিলাত চিচিবৰগাওঁ ৰাজহ চক্ৰৰ ৮৯ খন গাওঁ সামৰি "চিচি টেঙানী ট্ৰাইবেল বেল্ট" নামৰ এক নতুন ট্ৰাইবেল বেল্ট গঠন কৰা হৈছে।

অসমত বসবাস কৰা গোৰ্খা সম্প্ৰদায়ৰ লোকসকলৰ বিৰুদ্ধে বিদেশী আইন, ১৯৪৬ ৰ অধীনত সীমান্ত আৰক্ষীৰ দ্বাৰা অনুসন্ধান নকৰাৰ বাবে ৰাজ্যিক কেবিনেটে সিদ্ধান্ত গ্ৰহণ কৰিছে। তদুপৰি, বিদেশী ন্যায়াধীকৰণত এই সম্প্ৰদায়ৰ লোকসকলৰ বিৰুদ্ধে চলি থকা অমীমাংসিত গোচৰসমূহ প্ৰত্যাহাৰ কৰা হ'ব।

ৰাজ্যখনৰ খিলঞ্জীয়া আৰু জনজাতীয় লোকসকলৰ সৰ্বাংগীন কল্যাণ আৰু উন্নয়নৰ বাবে কাৰ্যসূচী গ্ৰহণ, নীতি প্ৰস্তুত আৰু ৰূপায়নৰ কাৰণে খিলঞ্জীয়া

আৰু জনজাতীয় বিশ্বাস আৰু সাংস্কৃতিক বিভাগ গঠন কৰা হৈছে। পুৰাতত্ব সঞ্চালকালয়, সংগ্ৰহালয় সঞ্চালকালয় আৰু ইতিহাস আৰু প্ৰত্নতাত্বিক অধ্যয়নক এই বিভাগৰ অধীনত সামৰি লোৱা হ'ব।

মই জনাবলৈ পাই সুখী যে, মাননীয় উপ-ৰাষ্ট্ৰপতি শ্ৰী এম ভেংকয়া নাইডুৱে ৩ অক্টোবৰ, ২০২১ তাৰিখে গুৱাহাটীৰ বৰফুকনৰ টিলাত মহাবাহু ব্ৰহ্মপুত্ৰ নদী ঐতিহ্য কেন্দ্ৰ উদ্বোধন কৰিছিল আৰু এই কেন্দ্ৰটি ১২ অক্টোবৰ, ২০২১ তাৰিখৰ পৰা ৰাইজৰ কাৰণে মুকলি কৰা হয়।

অসমৰ এক অতি পৱিত্ৰ স্থান বটদ্ৰবা থানক সাংস্কৃতিক আৰু পৰ্যটনৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে এই থানলৈ ৩৫ বিঘা অতিৰিক্ত ভূমি আৱণ্টন দিয়া হৈছে। পৰ্যটনস্থলী হিচাপে উন্নত কৰা আৰু বহুমূলীয়া গুহা শিল্প আৰু শৈল ভাস্কৰ্য্য সংৰক্ষণ কৰাৰ বাবে ছিপাঝাৰৰ ঢলপুৰ শিৱ মন্দিৰৰ পক্ষত চৰকাৰী ভূমিৰ নিস্পত্তি কৰা হৈছে।

২ ডিচেম্বৰ, ২০২১ তাৰিখে অসম দিৱস (চ্যু-কা-ফা দিৱস)ত সৰ্ব্বোচ্চ ৰাজ্যিক অসামৰিক বঁটা প্ৰৱৰ্ত্তন কৰি প্ৰদান কৰা হৈছে। ২০২১ বৰ্ষৰ বাবে এই বঁটা ইতিমধ্যে ঘোষণা কৰা হৈছে। ২৮ জুলাইত দেশভক্ত তৰুণৰাম ফুকনৰ আৰু ৫ আগষ্টত লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ মৃত্যু বাৰ্ষিকীৰ দিনকেইটা ক্ৰমে দেশভক্তি দিৱস আৰু কৰ্মচাৰী দিৱস হিচাপে পালন কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

সকলো চৰকাৰী সভা আৰু কাৰ্যসূচী জাতীয় সংগীত 'অ' মোৰ আপোনাৰ দেশ ......' পৰিৱেশন কৰি আৰম্ভ কৰা হ'ব আৰু ৰাষ্ট্ৰীয় সংগীত 'জন গণ মন ......' পৰিৱেশন কৰি সামৰণি মৰা হ'ব।

**জ্ঞানৰ আলোকৰ প্ৰসাৰ**

শিক্ষাৰ ক্ষেত্ৰখনত নিঃসন্দেহে ক'ভিডৰ প্ৰভাৱ সবাতোকৈ ভয়াবহ আছিল। বিদ্যালয় আৰু মহাবিদ্যালয়সমূহ বন্ধ থকাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষা বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছিল। তথাপি টেলিভিছন চেনেল, ম'বাইল এপ' আৰু গ্ৰামাঞ্চলত এজনে এজনক শিকোৱা আৰু শিকাৰ জৰিয়তে শিক্ষা প্ৰদান

অব্যাহত ৰখাৰ সৰ্বাত্মক প্ৰচেষ্টা গ্ৰহণ কৰা হৈছিল। শিক্ষা ক্ষেত্ৰত ডিজিটেল প্ৰযুক্তি, এপ আদিৰ প্ৰযোগ আৰু সেইসমূহৰ ব্যৱহাৰ উল্লেখনীয় ভাৱে বৃদ্ধি পাইছিল। বিদ্যালয়, বিশ্ববিদ্যালয় সমূহৰ কায়িক আন্তঃগাঁথনি উন্নয়নত বিনিয়োগেৰে শিক্ষাক পূৰ্বৰ পৰ্যায়লৈ লৈ অহা হ'ব। আমাৰ ছাত্ৰ-ছাত্ৰীক নিয়োগ আৰু উদ্যোগৰ বাবে সাজু হোৱাত সহায় কৰাৰ উদ্দেশ্যে কাৰিকৰী শিক্ষাৰ আধুনিকীকৰণ, শেহতীয়া শৈক্ষিক আৰু তথ্য প্ৰযুক্তি সংযোগ আদিৰ বৃদ্ধি কৰা হ'ব।

অভিযান্ত্ৰিক নিযুক্তি ব'ৰ্ডৰ দৰে বিশেষ ব'ৰ্ডৰ জৰিয়তে শিক্ষা খণ্ডত নিযুক্তিৰ জৰিয়তে নিযুক্তি প্ৰক্ৰিয়া খৰতকীয়া আৰু সুস্থিৰ কৰি তোলা হ'ব।

শিক্ষাৰ গুণগত মান উন্নীতকৰণৰ আত্মানুসন্ধানী কাৰ্যসূচী হিচাপে গুণোৎসৱ পুনৰ আৰম্ভ কৰা হ'ব।

**আৰ্থ-সামাজিক বিকাশ**

ৰাজ্যখনৰ আৰ্থ-সামাজিক বিকাশৰ প্ৰতি লক্ষ্য ৰাখি ২০২১ চনৰ ২২ ফেব্ৰুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ চাহ শ্ৰমিকৰ দৈনিক মজুৰি ১৬৭ টকাৰ পৰা ২০৫ টকালৈ বৃদ্ধি কৰা হৈছে আৰু বৰাক উপত্যকাৰ চাহ শ্ৰমিকৰ দৈনিক মজুৰি ১৪৫ টকাৰ পৰা ১৮৩ টকালৈ বৃদ্ধি কৰা হৈছে। মোৰ চৰকাৰে চাহ বাগিচাত কাম নথকা সময়ত বিকল্প নিয়াগৰ সুবিধা সৃষ্টিৰ বাবে চাহ শ্ৰমিক সকলক এম জি এনৰেগাৰ অধীনত ন্যূনতম ১০০ দিনৰ কৰ্মসংস্থাপন দিয়াৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। অসম চৰকাৰে ১,০০০ অংগনৱাড়ী কেন্দ্ৰৰ প্ৰতিটোত ২৫ লাখ টকা ব্যয়েৰে আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ ৰূপে নিৰ্মাণ কৰিবলৈ অনুমোদন জনাইছে। বয়োজ্যেষ্ঠ নাগৰিক সকলৰ বাবে ২০ আগষ্ট, ২০২১ তাৰিখে ৰাষ্ট্ৰীয় হেল্পলাইন নং ১৪৫৬৭ সৈতে সোণাপুৰত এখন ৬০ খন বিছনাযুক্ত বৃদ্ধাশ্ৰমৰ শুভ উদ্বোধন কৰা হয়।

ৰাজ্য চৰকাৰে অসৱৰ্ণ বিবাহ আঁচনি ২০২১-২২ ৰ অধীনত বিত্তীয় সাহায্য দিয়াৰ ক্ষেত্ৰটো অনুমোদন জনাইছে। মুখ্যমন্ত্ৰীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই ৩৭,২৪৬ গৰাকী লোকক সামৰি থকা ৰেচন কাৰ্ডৰ বাবে অযোগ্য ৯,৬২০ গৰাকী হিতাধিকাৰীয়ে নিজৰ এন এফ এছ এ কাৰ্ড ঘূৰাই দিছে আৰু ইয়াৰ পৰা

যোগ্য অভাৰী পৰিয়াল উপকৃত হোৱাৰ পথ মুকলি হৈছে। দিব্যাংগ ব্যক্তি, জ্যেষ্ঠ নাগৰিক; তৃতীয় লিংগ আৰু ড্ৰাগছ ব্যৱহাৰকাৰীৰ সমস্যা আদিৰ বাবে কাম কৰিবলৈ সমাজ কল্যাণ সঞ্চালকালয়ৰ পৰা পৃথক কৰি সামাজিক ন্যায় আৰু সবলীকৰণ নামেৰে এক নতুন সঞ্চালকালয় গঠন কৰা হৈছে।

**যোগাযোগ ব্যৱস্থাত গুৰুত্ব**

চৰকাৰে যোগাযোগ ব্যৱস্থা উন্নয়নৰ বাবে বিশেষ প্ৰচেষ্টা হাতত লৈছে। প্ৰধান পথ, আৰ্টিলেৰি পথ আৰু দলং আদি নিৰ্মাণ কৰি থকা হৈছে। উদাহৰণস্বৰূপে, পথ আন্তঃগাঁথনি উন্নয়নৰ বাবে, ব্ৰহ্মপুত্ৰৰ ওপৰেৰে মাজুলী-যোৰহাট সংযোগী ৮.২৫ কিঃমিঃ দৈৰ্ঘ্যৰ দলঙৰ কাম ২০২১ চনৰ ২৯ নৱেম্বৰ তাৰিখে আৰম্ভ হৈছে। ইয়াৰ সমান্তৰালকৈ ১৮৩ কোটি টকা ব্যয় সাপেক্ষে জোনাইৰ পৰা মাজুলীলৈকে মথাউৰিসহ ঘাইপথ নিৰ্মাণৰ বাবে যাবতীয় অনুমোদন ইতিমধ্যে প্ৰদান কৰা হৈছে। ই মথাউৰি শক্তিশালীকৰণৰ লগতে যোগাযোগ ব্যৱস্থাও উন্নত কৰিব। তদুপৰি ৩,০৯৪ কোটি টকা ব্যয় সাপেক্ষে ব্ৰহ্মপুত্ৰৰ বুকুত শুৱালকুছিক পলাশবাৰীৰ সৈতে সংযোগ কৰিবলগীয়া ৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ দলংখনৰ প্ৰাৰম্ভিক নক্সা ইতিমধ্যে তৈয়াৰ কৰি তোলা হৈছে।

প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাকো ক্ষিপ্ৰতাৰে কাৰ্যকৰী কৰি থকা হৈছে। ইতিমধ্যে  ২৮,০০০ কিঃমিঃ পথ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰি তোলাৰ লগতে ৰাজ্য চৰকাৰৰ বিভাগ আৰু ইয়াৰ লগত জড়িত সকলৰ বৰ্দ্ধিত প্ৰচেষ্টাৰে ২০২২ চনৰ ৩১ মাৰ্চ তাৰিখৰ ভিতৰত পি এম জি এছ ওৱাইৰ প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ সকলো কাম সম্পূৰ্ণ কৰাৰ  ব্যৱস্থা হাতত লোৱা হৈছে। ইয়াৰ উপৰিও প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ তৃতীয় খণ্ডৰ অধীনৰ ২৭৬০ কিঃমিঃ দৈৰ্ঘ্যৰ পথৰ ১৪৫৩ কিঃমিঃ দৈৰ্ঘ্যৰ পথ নিৰ্মাণৰ কাম ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে আৰু বাকী অংশৰ কামো আগবাঢ়ি আছে।

মই আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে ১২৭ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰি তোলা ২-লেনযুক্ত  দিছপুৰ, গুৱাহাটীৰ উৰণীয়া সেতুখন নিৰ্ধাৰিত ৩৬ মাহৰ পৰিবৰ্তে অভিলেখ ২২ মাহত সম্পূৰ্ণ কৰি ২০২১ চনৰ ৫ নৱেম্বৰ তাৰিখে মুকলি কৰা হৈছে।

মোৰ চৰকাৰে অসমৰ অনন্য প্ৰকৃতি আৰু জৈৱ বৈচিত্ৰ্যৰ সংৰক্ষণ তথা সুৰক্ষাৰ বাবে কেইবালানিও বহুমুখী কাৰ্যসূচী গ্ৰহণ কৰিছে। পৰিবেশ সুৰক্ষা আৰু সংৰক্ষনৰ বাবে কোকৰাঝাৰৰ ৰাইমনা আৰু তিনিচুকীয়াৰ দিহিং পাটকাইক ৰাষ্ট্ৰীয় উদ্যান হিচাপে অধিসূচীত কৰিছে। তদুপৰি, ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ দ্বিতীয় সংযোজন আৰু কাকৈজানা,বিহালী আৰু গড়ভঙা বন্যপ্ৰাণী অভয়াৰণ্য হিচাবে গঢ়ি তোলা হ'ব। বন্যপ্ৰাণীৰ সুৰক্ষাৰ বাবে চোৰাং চিকাৰ বিৰোধী চাউনীৰ সংখ্যা বৃদ্ধি কৰাৰ লগতে বন সুৰক্ষাৰে জড়িত আগশাৰীৰ কৰ্মচাৰীৰ মনোবল বৃদ্ধি কৰাৰ বাবে সশস্ত্ৰ আৰক্ষী বাহিনীৰ কৰ্মীসকলক দিয়াৰ দৰে ২,০০০ টকাৰ মাহিলী ৰেচন ভাট্টা প্ৰদানৰ ব্যৱস্থা লোৱা হৈছে। লগতে জনাবলৈ বিছাৰো যে গড়ৰ খৰ্গৰ ঔষধি আৰু যাদুকৰী গুণ থকা বুলি চলা অপ-প্ৰচাৰ আৰু চোৰাং চিকাৰ প্ৰতিহত কৰাৰ বাবে এক শক্তিশালী বাৰ্তা হিচাবে বিশ্ব গড় দিৱস (২১ ছেপ্টেম্বৰ, ২০২১)ৰ দিনা চৰকাৰে ২,৪৭৯ টা গড়ৰ খৰ্গ দাহ কৰিছিল। জনসাধাৰণৰ নেতৃত্বত ৰাষ্ট্ৰীয় ঐতিহ্যৰ সংৰক্ষণ আৰু অসম গৌৰৱ এটা খৰ্গৰ গঁড়ৰ চোৰাং চিকাৰৰ ঘটনা হ্ৰাসৰ বিষয়ে মাননীয় প্ৰধানমন্ত্ৰীয়ে তেওঁৰ 'মন কী বাত'ত উল্লেখ কৰা পিছতে মাননীয় ৰাষ্ট্ৰপতিৰ কাজিৰঙা ভ্ৰমণে এই ক্ষেত্ৰত সকলোকে উৎসাহ যোগাইছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰিৱেশ সংবেদনশীল মণ্ডল (ই এছ জেদ) আৰু ৮খন বন্যপ্ৰাণী অভয়াৰণ্যৰ লগতে সমীপবৰ্তী সংৰক্ষিত বনাঞ্চল সামৰি ৩২৫৬ বৰ্গ কিলোমিটাৰৰ ব্যাঘ্ৰ প্ৰকল্পৰ শক্তিশালীকৰণৰ প্ৰস্তাৱ আমাৰ চৰকাৰে বিবেচনা কৰি আছে আৰু ইয়াক অতি সোনকালে ভাৰত চৰকাৰলৈ খচৰা অধিসূচনাৰ বাবে প্ৰেৰণ কৰা হ'ব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণীৰ মুক্ত বিচৰণৰ সুবিধাৰ বাবে ভাৰত চৰকাৰৰ প্ৰত্যক্ষ সহায়ত ৩৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ বন্যপ্ৰাণী আৰু পৰিৱেশ অনুকুল এলিভেটেড কৰিডৰৰ কথা চৰকাৰে বিবেচনা কৰি আছে। মানৱ-বন্যপ্ৰাণী সংঘাত প্ৰশমনৰ বাবে দুৰ্গতসকলক প্ৰদান কৰা ক্ষতিপূৰণৰ ধন বৃদ্ধি, বনৰক্ষী বাহিনীলৈ প্ৰযোজনীয় ৰছদ-পাতিৰ ব্যৱস্থাৰে সক্ৰিয়কৰণ আৰু বিভাগসমূহৰ মাজত আন্তঃসমন্বয় স্থাপনক বিশেষ গুৰুত্ব দিয়াৰ লগতে এনে সংঘাতৰ বলি হোৱা পৰিয়াললৈ এককালীন সাহাৰ্য্য প্ৰদান ব্যৱস্থা দ্ৰুতৰ কৰা হৈছে। কাছাৰ জিলাত ২১৪ কোটি বিনিয়োগ সাপেক্ষে বৰাক উপত্যকা

বন্যপ্ৰাণী চাফাৰী আৰু উদ্ধাৰ কেন্দ্ৰ স্থাপনত অনুমোদন জনোৱা হৈছে আৰু ইয়াক তিনিবছৰৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব। বন্যপ্ৰাণীৰ স্বাস্থ্যযত্ন আৰু গৱেষণাৰ আন্তঃগাঁথনিৰ বাবে ডিব্ৰুগড়ৰ দুলীয়াজানত 'বন্যপ্ৰাণী স্বাস্থ্য আৰু গৱেষণা প্ৰতিষ্ঠান (আই ডব্লিউ এইচ এণ্ড আৰ)' স্থাপনৰ বিষয়টোও মোৰ চৰকাৰখনে বিবেচনা কৰি আছে।

জলবায়ু পৰিবৰ্তন সমস্যা লাঘব কৰাৰ বাবে বনাঞ্চলৰ বাহিৰৰ ৰাজহ অঞ্চলত ভূমি চিনাক্ত কৰা হৈছে আৰু যিকোনো উন্নয়নমূলক কামৰ বাবে কটা এজোপা গছৰ বিপৰীতে ইয়াত বন বিভাগে দহজোপা গছ ৰোপন কৰিব। বনাঞ্চলৰ বাহিৰত বননীকৰণত উদ্‌গনি যোগোৱাৰ ক্ষেত্ৰত দেশৰ ভিতৰতে এক উল্লেখনীয় পদক্ষেপ হিচাবে প্ৰাথমিক লক্ষ্য হিচাবে ব্যৱসায়িক লাভালাভ থকা বিভিন্ন প্ৰজাতিৰ বাঁহ, প্লাইউড, ঔষধ আৰু সুগন্ধি কাঠ, তৈলবীজ বিশিষ্ট গছ, চন্দন কাঠ, অগৰু কাঠ আৰু ৰেচম সমৃদ্ধ গছৰ খেতি কৰা সকলক বজাৰৰ সৈতে সংযোগ কৰাই দিয়াৰ লগতে উদগনি দিয়াৰ পদক্ষেপ গ্ৰহণৰ বাবে অসম কৃষি বনানীকৰণ উন্নয়ন বৰ্ডে গঠনৰ ব্যৱস্থা লোৱা হৈছে ।

মোৰ চৰকাৰখনে কৃষি বনানীকৰণক প্ৰসাৰিত কৰাৰ যোগেদি কৃষকৰ আয় বৃদ্ধিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। অসমত পোৱা আম, জামু, কঁঠাল, কদম, আগৰ (দুবিধ প্ৰজাতি), চন্দন কাঠ, বাঁহ আদি নিজৰ বাৰী, ব্যক্তিগত পট্টাৰ মাটি আৰু সমূহীয়া মাটিত উৎপাদন কৰা উপান্ত আৰু ক্ষুদ্ৰ কৃষকক অসম বন নিয়ন্ত্ৰণ আইন ১৮৯১ (সংশোধিত) ৰ ৪০ আৰু ৪১ ধাৰাৰ অধীনৰ পৰিবহন নিয়মৰ পৰিসৰৰ পৰা সম্পূৰ্ণৰূপে মুক্ত কৰা হৈছে। যিহেতু এই প্ৰজাতিসমূহ প্ৰায়ে প্ৰাকৃতিক বনাঞ্চলৰ বাহিৰত থাকে, সেয়ে এইবোৰ কটাৰ বাবে অনুমতি লোৱাৰ পৰা মুক্ত কৰা হৈছে আৰু এই সমূহৰ পৰিবহনৰ ক্ষেত্ৰত এতিয়াৰে পৰা কোনো ধৰণৰ অনুমতি পত্ৰ নালাগিব।

## উদ্যোগিক বিকাশক সহায়

ৰাজ্যত ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগিক গোট স্থাপন আৰু কাৰ্যক্ষমকৰণৰ বাবে প্ৰয়োজনীয় অনুজ্ঞা পত্ৰ, অনুমতি আদিৰ অনুমোদনপ্ৰাপ্তি

সহজ কৰাৰ বাবে ৰাজ্যিক কেবিনেটে অসম ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ (স্থাপনত সহায়ক আৰু কাৰ্যক্ষমকৰণ) সংশোধিত বিধেয়ক ২০২১ ত অনুমোদন জনায়।

বিভিন্ন কাৰণত ইতিমধ্যে কাছাৰ আৰু নগাঁওস্থিত হিন্দুস্তান পেপাৰ কৰ্পৰেচন (এইচ পি চি)ৰ কাগজ কল দুটা বন্ধ হৈছিল। যাৰফলত নিগমৰ কলৰ কৰ্মী আৰু বিষয়াৰ ১,১০০ পৰিয়াল বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছিল। কল দুটা বন্ধ হোৱাৰ পিছত এই পৰিয়ালসমূহ জীৱন নিৰ্বাহৰ ক্ষেত্ৰত বহু দুৰ্যোগ আৰু সমস্যাৰ সন্মুখীন হৈ আহিছে। এই কল কেইটাক পুনৰ কাৰ্যক্ষম কৰাৰ বাবে সকলো প্ৰচেষ্টা বিফল হৈছিল। ইয়াৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে এইচ পি চিৰ কৰ্মচাৰী সংগঠন আৰু সন্থাৰ সহযোগত এই বিষয়টো নিস্পত্তিৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। অসম চৰকাৰ আৰু এইচ পি চি বিভিন্ন সংগঠন আৰু সন্থাৰ মাজত বিতং আলোচনাৰ অন্তত এই সমস্যাৰ সমাধানৰ বাবে এক বুজাবুজি হয়। অসম চৰকাৰে নগাঁও আৰু কাছাৰত থকা কল দুটাৰ দুৰ্গত পৰিয়ালক সকাহ প্ৰদানৰ বাবে আৰ্থিক পেকেজ প্ৰদানৰ লগতে কল দুটাৰ ভূমি আৰু অন্যান্য সম্পদ অধিগ্ৰহণ কৰাত সন্মতি প্ৰদান কৰে। সেই অনুসৰি চৰকাৰৰ দায়িত্বপ্ৰাপ্ত এ আই ডি চিয়ে এন চি এল টিৰ দ্বাৰা নিযোজিত নিলামকাৰীয়ে অনুষ্ঠিত কৰা নিবিদা প্ৰক্ৰিয়াত সফলভাৱে অংশগ্ৰহণ কৰে। এয়া আশা কৰা হৈছে যে চৰকাৰে প্ৰতিশ্ৰুতি দিয়া অনুসৰি ভূমি অধিগ্ৰহণ আৰু আৰ্থিক অনুদান প্ৰদানৰ বাবে প্ৰায় ৭০০ কোটি টকাৰ প্ৰয়োজন হ'ব।

হাইড্ৰকাৰ্বন ইন্ধনৰ সৈতে ইথানল সংমিশ্ৰন কৰাৰ বাবে ইথানল প্ৰস্তুতকাৰীক উৎসাহিত কৰাৰ বাবে আৰম্ভ কৰা ইথানল নীতি ২০২১ অনুমোদন জনোৱা হৈছে। উদ্যোগিক বিকাশক উদগণি জনোৱাৰ বাবে এনে পদক্ষেপ লোৱা অসম ভাৰতৰ ভিতৰত দ্বিতীয় ৰাজ্য। ৰাজ্যিক কেবিনেটে ৰাজ্যত ক্ষুদ্ৰ আৰু সৰু উদ্যোগৰ বিকাশ আৰু উন্নয়নক উৎসাহ যোগোৱাৰ বাবে অসম ক্ৰয় অগ্ৰাধিকাৰ নীতি, ২০২১ ত অনুমোদন জনায়। ইয়াৰ যোগেদি ৰাজ্যত ষ্টাৰ্টআপক এই উদগণি সমূহ আগবঢ়োৱা হৈছে— ক) বিনামূলীয়া নিবিদাৰ প্ৰপত্ৰ - খ) আমানতৰ ধন প্ৰদানত ৫০% ৰেহাই- গ) ছিকিউৰিটি ডিপজিতত ৫০% ৰেহাই।

রাজ্য চৰকাৰে ২,১৮৭ কোটি টকা বিনিয়োগৰে নুমলীগড় ৰিফাইনেৰী লিমিটেডত ইয়াৰ অংশীদাৰিত্ব ১২.৩৫% ৰ পৰা ২৬% লৈ বৃদ্ধি কৰিছে। সুদক্ষ আৰু পেছাদাৰী প্ৰশাসন, কাৰ্য ৰূপায়ণৰ স্বচ্ছতা, উদ্যোগিক পৰিৱেশৰ বিকাশ আৰু বিনিযোগকাৰীক আকৰ্ষণ কৰিবলৈ বিত্ত বিভাগৰ অধীনত বিনিয়োগকাৰী প্ৰতিষ্ঠান স্থাপন কৰাত অনুমোদন জনাইছে। এই প্ৰতিষ্ঠানৰ মুখ্য উদ্দেশ্যে হৈছে তেল, গেছ, সাৰ আদি প্ৰতিষ্ঠানত পৰ্যাপ্ত বিনিয়োগৰ পথ প্ৰশস্ত কৰা যাতে এই সম্পদ সমূহৰ উপযুক্ত ব্যৱহাৰ হয়।

## সকলোৰে বাবে গৃহ

প্ৰধানমন্ত্ৰীৰ আৱাস যোজনা-গ্ৰামীণ (PMAY-G) ৰ অধীনত ‘সকলোৰে বাবে গৃহ’ উদ্দেশ্যত উপনীত হোৱাৰ লক্ষ্যৰে অনুমোদিত ৭,৬৮,০১৩ গৃহৰ ভিতৰত ৪,৫৭,৮৫১ টা গৃহ সম্পূৰ্ণ কৰা হৈছে। অহা কেইমাহমানৰ ভিতৰত আমি অন্য ৭ লাখ গৃহ নিৰ্মাণৰ কাম হাতত ল’ম। প্ৰধানমন্ত্ৰীৰ আৱাস যোজনা-গ্ৰামীণ (PMAY-G) ৰ ভূমিহীন হিতাধীকাৰী সকলৰ বাবে গৃহ নিৰ্মাণৰ অৰ্থে ৰাজ্যত এক নতুন উদ্ভাৱনী ‘ক্লাষ্টাৰ হাউছ’ৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

প্ৰধানমন্ত্ৰীৰ আৱাস যোজনাৰ অধীনত সকলোৰে বাবে গৃহ (নগৰাঞ্চল) ৰ সুবিধা ১০ বছৰ ধৰি চৰকাৰী ভূমিত থকা ব্যক্তিলৈও সম্প্ৰসাৰিত কৰা হৈছে। অৱশ্যে এই ক্ষেত্ৰত চৰকাৰী ভূমিত থকা ব্যক্তিগৰাকী আৰু মাটি টুকুৰা বন্দবস্তিৰ বাবে উপযুক্ত হ’ব লাগিব।

## গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠানৰ সৈতে চুক্তি

মোৰ চৰকাৰে গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠানৰ সৈতেবহুকেইখন চুক্তি স্বাক্ষৰ কৰিছে। তাৰ কেইটামান উদাহৰণ হ’ল—

- ৰাজ্যত শ্বেত বিপ্লৱৰ সূচনা কৰা বাবে অসম চৰকাৰে ৬ আগষ্ট, ২০২১ তাৰিখে ৰাষ্ট্ৰীয় দুগ্ধ উন্নয়ন বৰ্ড (NDDB) আৰু পশ্চিম অসম দুগ্ধ উৎপাদক সমবায় ইউনিয়ন লিমিটেড (WAMUL)ৰ সৈতে ত্ৰিপাক্ষিক চুক্তিত স্বাক্ষৰ কৰে।

- সামাজিক খণ্ড (স্বাস্থ্য, শিক্ষা, খোৱাপানী ইত্যাদি), গ্ৰাম্য যোগাযোগ, কৃষি আৰু আনুসংগিক ক্ষেত্ৰ (জলসম্পদ, জলসিঞ্চন, মীন, পশুপালন, ভূমি সংৰক্ষণ, গ্ৰাম্য জ্ঞান কেন্দ্ৰ ইত্যাদি) ৰ গ্ৰাম্য আৰু নগৰীয়া অঞ্চলত বিভিন্ন পুঁজিপ্ৰধান প্ৰকল্পৰ কাম হাতত লোৱাৰ বাবে গ্ৰাম্য আন্তগাঁথনি সহায়ক আঁচনি (RIAS) আৰু নাবাৰ্ড আন্তগাঁথনি উন্নয়ন সহায়ক (NIDA) ৰ অধীনত ১৩,২০০ কোটি টকা পৰ্যন্ত ঋণ বৃদ্ধিৰ বাবে নাবাৰ্ডৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰা হৈছে।

**যুৱ প্ৰজন্মৰ দক্ষতা বৃদ্ধি**

যুৱ প্ৰজন্মৰ দক্ষতা বৃদ্ধি আৰু কৰ্মসৃষ্টিত প্ৰাধান্য প্ৰদান কৰি অসমত সকলো নিয়োগ বিনিময় কেন্দ্ৰত আবেদন সমূহৰ আধাৰ ভিত্তিক অনলাইন পঞ্জীয়নৰ ব্যৱস্থা কৰা হৈছে। অসমৰ অভিলাষী জিলাসমূহৰ যুৱক-যুৱতীসকলৰ বাবে গুৱাহাটীৰ আই টি আই (ITI)ত নিৰ্মাণ দক্ষতা প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰাৰ উদ্দেশ্যে এল এণ্ড টি লিমিটেড (L&T Ltd.) ৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰা হৈছে।

কৃষি উৎপাদন বৃদ্ধিৰ বাবে দৰং জিলাৰ ছিপাঝাৰ ৰাজহ চক্ৰৰ অধীনৰ গৰুখুটিত এক বিশাল চৰকাৰী ভূমি খণ্ড বেদখলকাৰীৰ কবলৰপৰা মুক্ত কৰা হয়। ইয়াত এখন সমিতি গঠন কৰি দিয়া হৈছে আৰু স্থানীয় লোকসকলক জড়িত কৰি কৃষিকৰ্ম আৰম্ভ কৰা হৈছে। দুগ্ধজাত সামগ্ৰীৰ উৎপাদন বৃদ্ধিৰ বাবে গৰুখুটি প্ৰকল্পলৈ গুজৰাটৰ পৰা ১০৮ জনী গিৰ গাই অনা হৈছে।

মোৰ চৰকাৰে ৰাজ্যখনৰ বিভিন্ন ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ক্ষুদ্ৰ ঋণ লোৱা মাইক্ৰফাইনেন্স ঋণীসকলক উদগনি আৰু সকাহ প্ৰদানৰ বাবে এক আঁচনি ৰূপায়নৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। বৰ্তমান চৰকাৰে আঁচনিখনৰ প্ৰথম পৰ্যায় ৰূপায়ণ কৰি আছে। প্ৰথম পৰ্যায়ৰ ঋণীসকল হ'ল- যিসকলে প্ৰথম দিনৰে পৰা তেওঁলোকৰ ঋণৰ বাবদ দিবলগীয়াখিনি পৰিশোধ কৰি আহিছে। প্ৰথম পৰ্যায়ত নৱেম্বৰ, ২০২১ ত নখন জিলা- চৰাইদেউ, ডিমা-হাচাও, গোলাঘাট, যোৰহাট, মাজুলী, শিবসাগৰ, শোণিতপুৰ, দক্ষিণ শালমাৰা আৰু পশ্চিম কাৰ্বি আংলঙৰ ১,৫৪,০৩০ গৰাকী হিতাধিকাৰীৰ মাজত চেক বিতৰণ কৰি উদগনি প্ৰদান কৰা হৈছে। দ্বিতীয় পৰ্যায়ত ডিচেম্বৰ, ২০২১ ত ছখন জিলা- বাক্সা, বিশ্বনাথ, বঙাইগাঁও, চিৰাঙ, ধেমাজি আৰু ডিব্ৰুগড় জিলাৰ আঁচনিখনৰ ১,৪২,৭৫৫ গৰাকী হিতাধিকাৰীক সামৰি চেক বিতৰণ কৰা হয়।

মানবীয় সাধনাৰ যিকোনো ক্ষেত্ৰতে বিশিষ্ট সেৱা/বৰঙণি আগবঢ়োৱা ব্যক্তিলৈ স্বীকৃতি প্ৰদানৰ বাবে অসম চৰকাৰে 'অসম বৈভৱ' 'অসম সৌৰভ' আৰু 'অসম গৌৰৱ' নামেৰে তিনিটা বঁটা প্ৰদানৰ ব্যৱস্থা কৰিছে। ২০২২ চনৰ ২৪ জানুৱাৰীত এক বৰ্ণাঢ্য অনুষ্ঠানত ১৯ গৰাকী ব্যক্তিক এই সৰ্বোচ্চ অসামৰিক বঁটা প্ৰদান কৰা হৈছে।

মাননীয় সদস্যসকল, লাভলীনা বৰগোহাঁইয়ে টকিঅ' অলিম্পিকৰ বক্সিঙত ব্ৰঞ্জৰ পদক লাভ কৰি খ্যাতি অৰ্জন কৰাটো সকলো দেশবাসীৰ কাৰণে প্ৰকৃততে এটা গৌৰৱৰ মূহুৰ্ত আছিল। ৰাজ্যিক কেবিনেটে স্বীকৃতিৰ এক চিহ্ন হিচাপে খেলৰত্ন লাভলীনা বৰগোঁহাইক অসম আৰক্ষীৰ উপ-আৰক্ষী অধীক্ষক পদৰ নিযুক্তিত অনুমোদন জনাইছে। গোলাঘাট জিলাৰ সৰুপথাৰত লাভলীনা বক্সিং একাডেমী আৰু ক্ৰীড়া প্ৰকল্প (Lovlina Boxing Academy cum Sports Complex) নিৰ্মাণৰ কথাও ঘোষণা কৰা হৈছিল।

মাননীয় সদস্যসকল, আমাৰ চৰকাৰ মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই উত্তৰ পূৰ্বাঞ্চলক "বিকাশৰ নতুন ইঞ্জিন" লৈ ৰূপান্তৰ কৰাৰ অভিযানৰ দ্বাৰা অনুপ্ৰাণিত হৈছে। সেইমৰ্মে আমি আপোনালোকৰ প্ৰত্যাশাসমূহ বিগত কিছু মাহত পূৰণ কৰিবলৈ চেষ্টা কৰি আহিছো। আমাৰ চৰকাৰে ৰাজ্যখনৰ সম্পূৰ্ণ সম্ভাৱনাক আগুৱাই নিয়াৰ বাবে কেইবালানিও ব্যৱস্থা গ্ৰহণ কৰিছে।

মাননীয় সদস্য সকল, মই মোৰ চৰকাৰৰ নীতি, আঁচনি আৰু সফলতাৰ বিষয়ে আপোনালোকক অবগত কৰিলোঁ। মোৰ চৰকাৰ অসমৰ জনগণক দিয়া সকলো প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ অংগীকাৰবদ্ধ। ইতিমধ্যে উল্লেখ কৰা নীতি আৰু আঁচনিসমূহৰ ৰূপৰেখাই আপোনালোকক মোৰ চৰকাৰখনে আগন্তুক চাৰি বছৰত ৰাজ্যখনক কোন দিশত আগুৱাই নিব বিচাৰে সেই বিষয়ে এক ধাৰণা দিব। মই এই পৱিত্ৰ সদনক অসমৰ সকলো শ্ৰেণীৰ লোক উপকৃত হোৱাকৈ ৰাজ্যখনৰ সৰ্বাঙ্গীণ বিকাশৰ বাবে কাম কৰিবলৈ সমৰ্থন আৰু সহযোগিতা আগবঢ়াবৰ কাৰণে আহ্বান জনাইছোঁ।

জয় আই অসম।

জয় হিন্দ।।